




গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰৱাহ

শুকুৰবাৰ ● ১৭ অক্টোবৰ ২০২৫/৩০ আহিন ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ ● সংখ্যা - ২৬ ● Vol - 14, Issue - 26


# চিএম- ফ্লাইট আঁচনিৰ আনুষ্ঠানিক শুভাৰম্ভ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

## অসমৰ যুৱক-যুৱতীক গোলকীয় মানৱ সম্পদ হিচাপে গঢ়ি তোলা হ'ব ঃ ড° শৰ্মা

## প্ৰথম বছৰত ১৮০ গৰাকী যুৱক-যুৱতীক জাপানী ভাষাৰ শিক্ষা দিয়া হ'ব ঃ মুখ্যমন্ত্ৰী






**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ গড়চুকস্থিত উত্তৰ পূব দক্ষতা কেন্দ্ৰত আয়োজিত এক অনুষ্ঠানত গোলকীয় মানৱ সম্পদৰ বাবে মুখ্যমন্ত্ৰীৰ বৈদেশিক ভাষা পদক্ষেপ (চিএম- ফ্লাইট)ৰ অনুষ্ঠানিক শুভাৰম্ভ কৰে। এই আঁচনিৰ জৰিয়তে অসমৰ যুৱক-যুৱতীক বিদেশী ভাষাৰ শিক্ষা প্ৰদানেৰে বিদেশত সংস্থাপনৰ বাবে উপযোগী কৰি গঢ়ি তোলা হ'ব। প্ৰথম পদক্ষেপত অসমৰ যুৱক-যুৱতীক জাপনী ভাষা শিকোৱাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই দেশৰ সাম্প্ৰতিক আমদানি আৰু ৰপ্তানি স্থিতি সন্দৰ্ভত কয় যে পেট্ৰ'ল-ডিজেলৰ পৰা আৰম্ভ কৰি বহুত সামগ্ৰী আমাৰ দেশে আন দেশৰ পৰা আমদানি কৰে। কিছু সামগ্ৰী আমাৰ দেশে ৰপ্তানি কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰ, চীন, ৰাছিয়া আদি দেশৰ পৰা ভাৰতে সামগ্ৰীৰ আমদানি বেছি কৰে আৰু ৰপ্তানি কম কৰে। কিন্তু সেৱাৰ ক্ষেত্ৰত আমাৰ দেশৰ পৰা ৰপ্তানি বেছি আৰু আমদানি কম হয়। বিদেশত কৰ্মৰত ব্যক্তিয়ে দেশৰ অৰ্থব্যৱস্থালৈ আগবঢ়োৱা বৰঙণিৰ সন্দৰ্ভত তেওঁ কয় যে সামগ্ৰীৰ জৰিয়তে আমাৰ দেশৰ পৰা যিমান ডলাৰ ওলাই যায় সেৱাৰ জৰিয়তে সিমান ডলাৰ উভতি আহে। ইয়ে দেশৰ অৰ্থনীতিক সকাহ দিয়ে। বিদেশত কৰ্মৰত কোনো মানুহে ঘৰলৈ ডলাৰত বা যি দেশত কাম কৰে সেই দেশৰ মুদ্ৰাত ধন প্ৰেৰণ কৰে। এনেদৰে বিদেশৰ পৰা অহা ধনে কেৰেলা, মহাৰাষ্ট্ৰৰ দৰে ৰাজ্যৰ অৰ্থনীতি বৃদ্ধি কৰাৰ লগতে দেশৰ বৈদেশিক মুদ্ৰাৰ ভাণ্ডাৰলৈও বৰঙণি যোগায় আহিছে। ইয়াৰ জৰিয়তে দেশৰ অৰ্থনীতি সুষম গতিৰে পৰিচালিত হৈছে। অন্যথা ভাৰতবৰ্ষ পাকিস্তানৰ দৰে দেৱলীয়া হ'লহেঁতেন। বিদেশত থকা ভাৰতীয়ই ঘৰলৈ পঠিওৱা ধনৰ বহু গুৰুত্ব আছে বুলি মন্তব্য কৰি তেওঁ কয় যে বহুকেইটা দিশত কেৰেলাতকৈ অসমৰ অৰ্থনীতি ভাল। কিন্তু বিদেশত কৰ্মৰত লোকে পঠিওৱা ধন অৰ্থাৎ ৰিমিটেন্সৰ দিশত কেৰেলা অসমতকৈ বহু আগবঢ়া। চিএম-ফ্লাইট আঁচনিখনৰ গুৰুত্ব বাখ্যা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ই কেৱল যুৱপ্ৰজন্মক বিদেশত চাকৰি কৰিবলৈ যোগ্য কৰি তোলাৰ আঁচনিয়ে নহয়, ইয়াৰ লগত অসমৰ অৰ্থনীতি সবলীকৰণৰো সম্পৰ্ক আছে। অসমত বহুত আগতেই এই সংস্কৃতি গঢ়ি তুলিব লাগিছিল বুলি মন্তব্য কৰি তেওঁ কয় ১০ পৃষ্ঠাত

# কাকনো বুলিম ককা সকলোৰে দাঢ়ি-চুলি পকা

■ বনশ্ৰী শৰ্মা

**সা**মাজিক মাধ্যম, সংবাদ মাধ্যম, ৰাজহুৱা সভা-সমিতিত বৰ বৰ কথা কোৱা, নিজকে সৰ্বজান্তা বুলি জহাই ফুৰা মানুহৰ অভাৱ নাই আমাৰ এইখন অসমত। কিন্তু নিজকে 'মই বৰ' ভাবেৰে জহাই ফুৰা সকলেই আকৌ সময়ৰ পাকচক্ৰত খাৱৈতো পৰে। জুবিন গাৰ্গৰ সপোন, হেঁপাহ আৰু কঠোৰ পৰিশ্ৰমৰ ছবি 'ৰৈ ৰৈ বিনালে'ৰ প্ৰথমটো মিউজিক ভিডিঅ' 'মোৰ মন' মুক্তিলাভ কৰিলে ৭ অক্টোবৰত। কিন্তু দুখৰ কথা যে গানটোৱে মুক্তিলাভ কৰা ২৪ ঘন্টা নৌহওঁতেই একাংশই ভিডিঅ' সহিতে ডাউনলোড কৰি নিজৰ নিজৰ ফেচবুক, ইনষ্টাগ্ৰাম একাউণ্ট বা পেজত আপলোড কৰি দিলে। সকলোকে লাগে ১০ পৃষ্ঠাত

# অতিপাত গৰমত আমি কি খোৱা উচিত ?

■ হেৰম্ব নাথ

**গ**ৰমৰ দিনত কেতিয়াবা এনে লাগে যে শক্তিৰ উৎস সূৰ্যই যেন ধৰালৈ নামিহে আহিব, ৰুদ্ৰমূৰ্তি ধাৰণ কৰা সূৰ্যৰ ওচৰত মানৱ জাতি সঁচাকৈয়ে অসহায়-নিৰুপায়। সূৰ্যৰ অসহনীয় উত্তাপক বাধা প্ৰদান কৰিবলৈ আমাৰ ওচৰত নাই কোনো উপায়-আহিলা।

মন কৰিবলগীয়া কথা যে ৰ'দৰ তীব্ৰতাই মানুহৰ শৰীৰৰ শক্তি শোষণ কৰি লয়; তদুপৰি তাপমাত্ৰা অসহনীয় সময়খিনিত সকলোৱে শৰীৰটোক ঠাণ্ডা কৰিবৰ বাবে উপায় বিচাৰে। সেই অনুসৰি ফ্ৰীজত জমা কৰি থোৱা আইচক্ৰীম, ঠাণ্ডা পানী, শীতল পানীয় আদি খায়। যদি ঘৰত উক্ত সুবিধাকণ নাই তেন্তে দোকানৰ পৰা হ'লেও ক্ৰয় কৰি খোৱা পৰিলক্ষিত ১০ পৃষ্ঠাত

## প্ৰগতিৰ পথত দ্ৰুত গতিৰে আগবাঢ়িছে মৰিগাঁও জিলা ঃ মন্ত্ৰী হাজৰিকা

# ৩৭ সংখ্যক মৰিগাঁও জিলা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ মন্ত্ৰী পীযুষ হাজৰিকাৰ



**মৰিগাঁও ঃ** মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত চাৰণ বিল উদ্যানত ৩৭ সংখ্যক মৰিগাঁও জিলা দিৱস উদ্‌যাপন কৰা হয়। জলসম্পদ, তথ্য আৰু জনসংযোগ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই মুখ্য অতিথি হিচাপে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে। সদ্যপ্ৰয়াত সংগীত শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনাই মন্ত্ৰীগৰাকীয়ে চাৰণ বিলৰ পাৰত ২৫ ফুট উচ্চতাৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ বাবে ভূমি পূজন কৰে। এই উপলক্ষে ভাষণ প্ৰদান কৰি মন্ত্ৰী হাজৰিকাই কয় যে জুবিন গাৰ্গৰ বিয়োগত অসমে সাংস্কৃতিক জগতৰ এক মহান ৰত্ন হেৰুৱাইছে আৰু সমগ্ৰ ৰাজ্য তেওঁৰ অকাল মৃত্যুত শোকত ম্ৰিয়মান হৈ আছে। এই মহান শিল্পীগৰাকীৰ বিশাল ব্যক্তিত্বৰ সন্মানত চাৰণ বিলৰ পাৰৰ উদ্যানখনত এই বিশাল প্ৰতিমূৰ্তি নিৰ্মাণ কৰা হ'ব বুলি তেওঁ কয়। মন্ত্ৰীগৰাকীয়ে শিল্পীগৰাকীৰ স্মৃতিত ৫০০টা নাহৰ গছপুলি ৰোপণৰ অভিযানৰ শুভাৰম্ভ কৰাৰ লগতে অনুষ্ঠানৰ অংশ হিচাপে আয়োজন কৰা পৰম্পৰাগত নাওদৌৰৰ ফ্লেগ অফ কৰে। ৰূপায়ণ হৈ থকা বিভিন্ন উন্নয়নমূলক কামৰ ওপৰত আলোকপাত কৰি হাজৰিকাই কয় যে এসময়ত কাগজ কলৰ বাবে পৰিচিত মৰিগাঁও এতিয়া আগন্তুক চেমিকন্ডাক্টৰ প্ৰকল্পৰ সৈতে আধুনিক যুগৰ পৰিৱৰ্তনৰ বাবে সাজু হৈছে। ব্ৰহ্মপুত্ৰৰ ওপৰত এখন নতুন দলং আৰু অসম মালা আঁচনিৰ অধীনত কেইবাটাও পথ নিৰ্মাণ কৰি জিলাখনত যোগাযোগৰ উন্নতি সাধন কৰা হৈছে। চিকিৎসা মহাবিদ্যালয়খনৰ নিৰ্মাণৰ কামো দ্ৰুতগতিত চলি আছে আৰু ইয়াৰ দ্বাৰা জিলাখনৰ স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি বহুখিনি উন্নত হ'ব বুলিও তেওঁ কয়।

তেওঁ লগতে কয় যে ইতিমধ্যে ১৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ ফলত জিলাখনত বান পৰিস্থিতি যথেষ্ট উন্নত হৈছে, যাৰ ফলত কৃষকসকলে বছৰি তিনিটাকৈ খেতি কৰিবলৈ সক্ষম ১০ পৃষ্ঠাত

# শুৱালকুছি শাখা লেখিকা সংস্থাৰ উদ্যোগত প্ৰাণৰ শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান




**অনামিকা (সংগীতা) কলিতা, শুৱালকুছি ঃ** এগৰাকী শিল্পীয়ে নহয় অসমৰ হিয়াৰ আমঠু ব্যক্তিৰ নামেই হ'ল জুবিন গাৰ্গ। তেখেতক অকালতে হেৰুৱাই সকলো মৰ্মাহত বৃহত্তৰ অসমীয়া জাতিয়ে নহয় সমগ্ৰ ভাৰততে শোকৰ ছাঁ পৰিছে। আনকি চিৰবৈৰী ৰাষ্ট্ৰ পাকিস্তানতো প্ৰাণৰ শিল্পী গৰাকীক শ্ৰদ্ধাঞ্জলি জনোৱা দেখা গৈছে। তেখেত যদিও কায়িকভাৱে আমাৰ মাজত নাই কিন্তু তেওঁৰ সৃষ্টিৰাজিয়ে আমাক একতাৰ দোলেৰে বান্ধি থৈ গ'ল। ১২ অক্টোবৰ ২০২৫ চন দেওবাৰে সন্ধিয়া ৫ বজাত শুৱালকুছিৰ বজাৰ চ'কত শিল্পী গৰাকীক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটো শুৱালকুছি শাখা লেখিকা সংস্থাৰ উদ্যোগত অনুষ্ঠিত কৰা হয়। শুৱালকুছিৰ শাখা লেখিকা সংস্থাৰ বিষয়ববীয়া সদস্যসকলৰ উপৰিও গাঁৱৰ গণ্য -মান্য ব্যক্তি কেইগৰাকীমানেও শিল্পী গৰাকীক শ্ৰদ্ধাঞ্জলি জনায়। কণ কণ শিশুসকলে শিল্পী গৰাকীৰ গীত পৰিৱেশন কৰে।

# নামনি মাজুলীৰ বেবেজীয়াত তিনিদিনীয়াকৈ ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানৰ আয়োজন


## 'ৰাম পৰাজয়-সীতাৰ পাতাল গমণ' ভাওনা প্ৰদৰ্শনৰ ব্যৱস্থা

**বিকাশ শইকীয়া, মাজুলী ঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ কৰতিপাৰ বেবেজীয়াত সমূহ ৰাইজৰ সহযোগত তিনিদিনীয়াকৈ ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বেবেজীয়া বৰ নামঘৰত অহা ২৯ অক্টোবৰৰ পৰা ৩১ অক্টোবৰলৈ বিস্তৃত কাৰ্যসূচীৰে উক্ত ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠান অনুষ্ঠিত হ'ব। উক্ত, আধ্যাত্মিক অনুষ্ঠানভাগি সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে ইতিমধ্যে একশৰণ ভাগৱতী সমাজৰ প্ৰধান সচিব জ্যোতিপ্ৰসাদ দাসক মুখ্য পৃষ্ঠপোষক, মহিম দাসক সভাপতি, প্ৰেমকান্ত মেধিক সম্পাদক, গোবিন্দ দাস আৰু বনমালি দাসক সহকাৰী সম্পাদক হিচাপে লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে। উক্ত, ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানৰ প্ৰথমদিনা ২৯ অক্টোবৰত পুৱা উষা কীৰ্তন, প্ৰাতঃপ্ৰসঙ্গ, পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণৰ পাছত ধৰ্মধজ্জা উত্তোলন কৰিব মাজুলী জিলা একশৰণ ভাগৱতী সমাজৰ সভাপতি ত্ৰিণয়ন হাজৰিকাই। তাৰপিছত ভকত আদৰণি, বন্তি প্ৰজ্বলন আৰু নাম প্ৰসঙ্গৰ পাছত মূল বেদীত ভাগৱত প্ৰতিষ্ঠা কৰিব একশৰণ ভাগৱতী সমাজৰ বুঢ়াভকত ভীমেশ্বৰ মেধিয়ে। দুপৰীয়া বাৰ বজাত ভাগৱত পাঠ উদ্বোধন কৰিব একশৰণ ভাগৱতী সমাজৰ যুটীয়া সচিব হাঁহিৰাম দাসে। দিনৰ এক বজাৰ পৰা ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানত ভাগৱত ব্যাখ্যা কৰিব মুখ্য ব্যাখ্যা কাৰক প্ৰধান সচিব জ্যোতিপ্ৰসাদ দাসে। ৩০ অক্টোবৰত ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানৰ ক্ৰমশ দিন ধাৰ্য কৰা হৈছে। ৩১ অক্টোবৰত ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানৰ সামৰণি, নাম প্ৰসঙ্গ আৰু কৃপা প্ৰাৰ্থনাৰ পাছত দুপৰীয়া ভাগৱত শোভাযাত্ৰা উলিওৱা হ'ব। সন্ধিয়া ধৰ্মধজ্জা অৱতৰণ আৰু ভকত বিদায় জনোৱা হ'ব। সেইদিনা ৰাতিলৈ দিব্যজ্যোতি দাস (ধন) আৰু পৰিয়ালবৰ্গই সেৱকী হিচাপে আগবঢ়োৱা আমন্ত্ৰিত 'জাঁজী শিৱসাগৰ'ৰ গৰুড় ধ্বজ শিল্পীসকলৰ দ্বাৰা 'ৰাম পৰাজয় সীতাৰ পাতাল গমণ' ভাওনা প্ৰদৰ্শন কৰা হ'ব। উক্ত, তিনিদিনীয়া আধ্যাত্মিক অনুষ্ঠানত মাজুলীবাসী ৰাইজৰ সহায় সহযোগ আৰু উপস্থিতি উদ্‌যাপন সমিতিৰ সভাপতি মহিম দাস আৰু সম্পাদক প্ৰেম কান্ত মেধিয়ে আন্তৰিকতাৰে কামনা কৰিছে।

# নগাঁৱৰ ৰাঙলুত ই-ৰিক্সা চালকৰ মাজত সজাগতা সভা আৰু চালকৰ প্ৰশিক্ষণ আৰু অনুজ্ঞাপত্ৰ সংগ্ৰহৰ প্ৰস্তুতি

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত ৰাঙলুত থকা অসমৰ প্ৰথমখন স্বীকৃতিপ্ৰাপ্ত ড্ৰাইভাৰ প্ৰশিক্ষণ কেন্দ্ৰ আৰু স্বয়ংক্ৰিয় ড্ৰাইভিং টেষ্ট ট্ৰেকত ৰাঙলু আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ফিৰদৌচ আহমেদৰ উদ্যোগত ৰাঙলুৰ ই-ৰিক্সা চালক সন্থা আৰু টেম্পু চালকসকলে চালক প্ৰশিক্ষণ আৰু চালকৰ অনুজ্ঞাপত্ৰ কিদৰে লাভ কৰিব এই বিষয়ে বিষয়ববীয়াসকলৰ লগতে আশীজন চালকক লৈ এখন সজাগতা সভা অনুষ্ঠিত কৰে ৰাঙলু আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ফিৰদৌছ আহমেদে। সভাত বিশ্বখ্যাত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ আত্মাৰ সদ্‌গতিৰ কামনা কৰি সকলোৱে এক মিনিট মৌণ প্ৰাৰ্থনা কৰে। আলোচনাত চালকৰ অনুজ্ঞাপত্ৰৰ প্ৰয়োজনীয়তা সম্পৰ্কত বুজনি দি সাংবাদিক ঘনকান্ত বৰাই কয় যে- নীতি নিয়মৰ আওতাত বাহন চলালে নিজৰ লগতে যাত্ৰী আৰু পৰিয়ালৰ ক্ষেত্ৰত জীৱনৰ সুৰক্ষা পাব পাৰি। সেয়ে চালকসকলে ২৯ দিনীয়া প্ৰশিক্ষণ সমাপ্ত কৰি বৈধ্য অনুজ্ঞা পত্ৰ লৈ প্ৰকৃত চালক হিচাপে বাহন চলালে বহু পৰিমাণে সুৰক্ষিত হ'ব পাৰিব। এই সুবিধা ৰাঙলুৰ চালকসকলৰ সমীপতে হোৱা প্ৰশিক্ষণ কেন্দ্ৰটোৰ বাবে সুবিধা হোৱাৰ লগতে ৰাঙলু আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীৰ আন্তৰিক প্ৰচেষ্টাত সম্ভৱ হৈছে বুলি বৰাই বিষয়াগৰাকীৰ শলাগ লয়। ৰাঙলু আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ফিৰদৌছ আহমেদে প্ৰায় ৮০ গৰাকী অনুজ্ঞাপত্ৰ বিহীন চালকক প্ৰশিক্ষণ কেন্দ্ৰলৈ আমন্ত্ৰণ জনায় কেন্দ্ৰটোৰ মুখ্য পৰিচালকৰ অনুপস্থিতিৰ সহকাৰী পৰিচালক ভাস্কৰ বনিয়াৰ সৈতে আলোচনা কৰি প্ৰশিক্ষণ আৰু অনুজ্ঞা পত্ৰ পোৱাৰ পথ সুগম কৰি দিয়ে। ৰাঙলু ই-ৰিক্সা আৰু টেম্পু চালক সন্থাৰ সভাপতি ছামচুল হক আৰু সম্পাদক ৰাব্বুল হুছেইনে ৰাঙলুৰ আৰক্ষী বিষয়াজনে চালকসকলৰ স্থায়ী ব্যৱস্থা হিচাপে চালকৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰাৰ ক্ষেত্ৰত উদ্যোগ লোৱাৰ কাৰণে ধন্যবাদ জনায়। ভাষণ প্ৰসংগত আৰক্ষী বিষয়া গৰাকীয়ে কয় যে ৰাঙলুৰ চালকসকল সঁচাকৈ ভাল লগতে ব্যৱসায়ী সকলো আদৰ্শবাদী সেয়ে সকলো ভাল কামৰ বাবে তেওঁলোকৰ সহযোগত এখন নিচামুক্ত আৰু সুশৃংখলিত ৰাঙলু গঠন কৰাটো সম্ভৱপৰ হ'ব বুলি আশাবাদী। সভাত মুখ্য প্ৰশিক্ষক তুষাৰ দাসে দৈনিক মাত্ৰ এঘণ্টাকৈ সময় দি মাত্ৰ ২৯ দিনত প্ৰশিক্ষণ সম্পূৰ্ণ কৰি অনুজ্ঞাপত্ৰ পোৱাৰ পথ মুকলি কৰি দিব পাৰিব বুলি কয়। প্ৰশিক্ষণ কেন্দ্ৰটোত একেসময়তে দুটা কক্ষত এশজনকৈ চালকক প্ৰশিক্ষণ দিয়াৰ সু-ব্যৱস্থা আছে। চালকসকলে ৰাঙলু আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ফিৰদৌছ আহমেদ আৰু প্ৰশিক্ষণ কেন্দ্ৰৰ বিষয়ববীয়া সকলে চালকসকলৰ এই সুবিধা খিনি কৰি দিয়াৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। সজাগতা সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত আছিল ৰাঙলু ড° এ পি জে আব্দুল কালাম একাডেমীৰ প্ৰধান শিক্ষক গুলজাৰ হুছেইন, প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰশিক্ষকসকল আৰু কৰ্মচাৰীসকল। কেন্দ্ৰটোৰ পৰিচালনাৰ দায়িত্বত থকা সহকাৰী পৰিচালক ভাস্কৰ বনিয়াই অতিথি সকলক ফুলাম গামোচাৰে আদৰণি জনোৱাৰ লগতে চাহ মিঠাইৰে অপ্যায়িত কৰে।

# শিৱসাগৰত লাইট কেমেৰা এক্সন অসমৰ উদ্যোগত যুৱ সাংবাদিক চন্দন শৰ্মালৈ 'সংবাদ সৌৰভ' বঁটা প্ৰদানৰ ঘোষণা



**নিউজ ডেস্ক প্ৰতিবেদন ঃ** ঐতিহাসিক শিৱসাগৰৰ পৱিত্ৰ ভূমিত অগ্ৰণী অনুষ্ঠান লাইট কেমেৰা এক্সন অসমৰ উদ্যোগত অহা ইং ৩০ ডিচেম্বৰ মঙলবাৰে বিভিন্ন দিশত বঁটা প্ৰদানৰ লগতে বহুকেইটা আকৰ্ষণীয় অনুষ্ঠানৰ আয়োজন কৰিছে। উক্ত গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানতে সংবাদ ক্ষেত্ৰখনত বহু ধৈৰ্য্য, ত্যাগ, কষ্ট, সমালোচনাকো নেওচি সুদীৰ্ঘ দহ বছৰ কাল নিৰলহ প্ৰচেষ্টাৰে শোণিতপুৰ জিলাৰ লগতে অন্য জিলাৰ বিভিন্ন প্ৰান্ততো খবৰৰ ওপৰত খবৰ সংগ্ৰহ কৰি বিভিন্ন সংবাদ মাধ্যম আৰু বহুকেইখন জনপ্ৰিয় কাকতৰ জৰিয়তে প্ৰকাশ কৰি ৰাইজৰ মাজত এক যোগাত্মক সৃষ্টিশীলৰ বাৰ্তা দিবলৈ সক্ষম হোৱা শোণিতপুৰ জিলাৰ ঐতিহ্যমণ্ডিত জামুগুৰিহাটৰ বিভিন্ন জাতি জনগোষ্ঠীৰ মিলনভূমি হিচাপে পৰিচিত বৃহত্তৰ ৰঙাচকুৱা অঞ্চলৰ সু-সন্তান তথা যুৱ সাংবাদিক চন্দন শৰ্মালৈ লাইট কেমেৰা এক্সন অসমৰ তৰফৰ পৰা ২০২৫ বৰ্ষৰ 'সংবাদ সৌৰভ' সন্মানৰে বঁটা প্ৰদান কৰাৰ কথা ঘোষণা কৰে উদ্যোক্তাসকলে। যুৱ সাংবাদিক গৰাকীয়ে বিগত ২০১৫ চনৰ পৰাই ফটোগ্ৰাফী যাত্ৰাৰে আগবাঢ়িব খোজা চন্দনে গণতন্ত্ৰৰ চতুৰ্থস্তম্ভ বুলি অভিহিত কৰা সাংবাদিকতা এক সন্মানজনক বৃত্তি বা মাধ্যমৰ জৰিয়তে বহু ধৈৰ্য্য, ত্যাগ, কষ্ট, সমালোচনাকো নেওচি সুন্দৰভাৱে নিজৰ কৰ্ত্তব্য দ্বায়িত্ব পালন কৰাৰ লগতে বিগত ২০২১ বৰ্ষত সুদূৰ গুৱাহাটীত মুক্ত কবি কণ্ঠ সংবাদ সেৱা বঁটা, ২০২২ আৰু ২০২৩ বৰ্ষত গুৱাহাটী প্ৰেছ ক্লাৱত দুবাৰকৈ সক্ৰিয় সাংবাদিকতাৰ বঁটাৰ লগতে সাংস্কৃতিক নগৰী যোৰহাটত ২০২৫ বৰ্ষৰ 'সংবাদ প্ৰহৰী' বঁটা পাবলৈ সক্ষম হৈছে। তেখেতৰ এই সফলতাৰ বাবে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠনৰ লগতে শৈক্ষিক মহলে ভূয়সী প্ৰশংসা কৰে।

# ডাঃ ধৰিত্ৰী পাটোৱাৰীৰ হিন্দুস্থানী কেন্দ্ৰীয় বিদ্যালয় পৰিদৰ্শন



**নগাঁও ঃ** নগাঁও জিলাৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ সন্মানীয় চিকিৎসক ডাঃ ধৰিত্ৰী পাটোৱাৰী ডাঙৰীয়ানীয়ে, নগাঁও জিলাৰ জখলাবন্ধাৰ তেতুলগুৰিত অৱস্থিত হিন্দুস্থানী কেন্দ্ৰীয় বিদ্যালয় পৰ্যবেক্ষণ কৰে। নগাঁও জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক মহোদয়ৰ অন্তৰ্গত, জন্ম মৃত্যু পঞ্জীয়ন, ধপাঁত বিৰোধী নিয়ন্ত্ৰণ আদি বিভিন্ন বিভাগৰ মুৰব্বী আৰু নডেল স্বাস্থ্যবিষয়া সন্মানীয় ডাঃ ধৰিত্ৰী পাটোৱাৰী বাইদেউৱে ইংৰাজী ১৩/১০/২০২৫ তাৰিখে, নগাঁও জিলাৰ 'জখলাবন্ধাৰ তেতুলগুৰিত অৱস্থিত হিন্দুস্থানী কেন্দ্ৰীয় বিদ্যালয়খনত উপস্থিত হৈ প্ৰতিটো শ্ৰেণী কোঠা, পানী টেংকি, ৰান্ধনী কোঠা, প্ৰসাৱগাৰ ইত্যাদি, বিদ্যালয়খনৰ ভিতৰৰ আৰু বাহিৰৰ পৰিৱেশৰ লগত সংগতি ৰাখি স্বাস্থ্য সম্বন্ধীয় বিভিন্ন শিতান সমূহ পুংখানুপুংখভাৱে পৰ্যবেক্ষণ কৰা পৰিলক্ষিত হয়। স্বাস্থ্য সম্বন্ধীয় বিভিন্ন পৰ্যায়ত, দৈহিক আৰু মানসিক দিশত উন্নতিৰ কাৰ্যপন্থা, ধপাঁত জাতীয় সামগ্ৰীৰ পৰা হ'ব পৰা স্বাস্থ্যজনিত ক্ষতি আৰু ল'বলগীয়া বিভিন্ন কাৰ্যপন্থাৰ সমূহৰ ওপৰত সম্পূৰ্ণভাৱে, বিদ্যালয়খনৰ কৃৰ্তপক্ষক উপদেশ প্ৰদান কৰে ডাঃ ধৰিত্ৰী পাটোৱাৰী বাইদেউৱে এই পৰ্যবেক্ষণ কালত ডাঃ ধৰিত্ৰী পাটোৱাৰী বাইদেউৰ লগত স্বাস্থ্যকৰ্মী অঙ্কুৰ প্ৰসাদ দাস আৰু দীপুমনি মেধিয়ে সহযোগিতা আগবঢ়োৱা পৰিলক্ষিত হয়।

# দীপান্বিতাই ব্যস্ততা বঢ়াইছে প্ৰতি গৰাকী মৃৎশিল্পীক

## চাহিদা অনুপাতে প্ৰয়োজনীয় কেঁচা মাটিৰ নাটনিয়ে স্থবিৰতা আনিছে উৎপাদনত

**জয়ন্ত মুদৈ, নগাঁও ঃ** বৰ্তমানে ৰাজ্যৰ সৰ্বপ্ৰান্ততে অত্যাৱশ্যকীয় সামগ্ৰীৰ সীমাহীন মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ ৰাইজক জ্বলা-কলা খুওৱাৰ সময়তে কিন্তু পোহৰৰ উৎসৱ দীপান্বিতাই কঢ়িয়াই আনিছে মৃৎশিল্পীসকললৈ ক্ষন্তেকৰ বাবে হ'লেও আশাৰ বতৰা। কিয়নো দুৰ্গোৎসৱৰ পিছত এতিয়া ৰাইজ সাজু হৈছে পোহৰৰ উৎসৱটি উদ্‌যাপনৰ নিমিত্তে। সাধাৰণতে বছৰৰ আন সময়ছোৱাতকৈ দীপান্বিতাৰ সময়ত মাটিৰ চাকি, মলা, ধূনাবাতিৰ চাহিদা অধিক হোৱা দেখা যায়। ঘাইকৈ ব্যাপক হাৰত বিক্ৰী হয় হাজাৰ হাজাৰ মাটিৰ চাকি। গতিকে এই সময়খিনিত অধিক ব্যস্ততা বাঢ়ে মৃৎ শিল্পৰে জীৱিকা অৰ্জন কৰা লোকসকলৰ। আনকি মূৰ তুলি চাবলৈকো আহৰি নাথাকে এইসকলৰ। গতিকে এইবাৰো বহু আশা বুকুত বান্ধি নিজৰ কৰ্মত লাগি পৰিছে এইসকল লোক। পিছে একাংশ মৃৎ শিল্পীয়ে দুখেৰে প্ৰকাশ কৰা মতে, তেওঁলোকে বছৰৰ সকলো সময়তে মৃৎ পাত্ৰ তৈয়াৰ কৰাত ব্যস্ত থাকে যদিও দিনকদিনে মৃৎ পাত্ৰৰ ব্যৱহাৰ হ্ৰাস পাই অহাত এনে জীৱিকাৰে পৰিয়াল পোহপাল দিয়াটো যথেষ্ট কষ্টসাধ্য হৈ পৰিছে। বছৰৰ মাত্ৰ দীপাৱলীৰ সময়ত মাটিৰ চাকিৰ আৰু ভোগালী বিহুৰ সময়তহে মাটিৰ টেকেলী, চৰু আদিৰ বজাৰ ভাল হয়। কাজেই, উপৰি পুৰুষৰ দিনৰ বৃত্তিটোক সাৰটি ৰাখি চৰম দাৰিদ্ৰতাৰ মাজেৰে কষ্টকৰ জীৱন কটোৱা এইসকল লোকক অভাৱ-অনাটনে জুৰুলা কৰিলেও দেৱালীৰ আগমণে সাময়িকভাৱে তেওঁলোকৰ মুখলৈ আনে সজীৱতা তথা এমোকোৰা সুখৰ প্ৰশান্তিৰ হাঁহি আৰু যুদ্ধংদেহী মনোভাৱেৰে নামি পৰে নিজৰ কৰ্মত। জানিব পৰা মতে, এনে প্ৰতিটো পৰিয়ালে দীপান্বিতাৰ প্ৰাকক্ষণত দিন-ৰাতি একাকাৰ কৰি পাঁচৰ পৰা দহ হাজাৰ পৰ্যন্ত মাটিৰ চাকি নিৰ্মাণ কৰে আৰু ইয়াক বিক্ৰী কৰিয়েই উলিয়াবলগীয়া হয় পৰৱৰ্তী চাৰি-পাঁচ মাহৰ যাৱতীয় খৰছ। কিন্তু এইবোৰ সামগ্ৰী প্ৰস্তুত কৰাৰ ক্ষেত্ৰত মৃৎশিল্পীসকল প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে কেঁচা মাটিৰ বাবে। কিয়নো চাহিদা অনুপাতে প্ৰয়োজন হোৱা কেঁচা মাটিৰ অভাৱে নিৰ্মাণ কাৰ্যত ব্যাপক সমস্যাৰ সৃষ্টি কৰিছে। যাৰ পৰিণতিত স্বাভাৱিকতেই মৃৎ শিল্পৰ উৎপাদনত স্থবিৰতা আহি পৰা দেখা গৈছে। পিছে এইক্ষেত্ৰত চৰকাৰে মৃৎশিল্পীসকলক সকাহ দিয়াৰ অৰ্থে বিশেষ গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ উঠিছে। সি যি নহওঁক, মানুহৰ জীৱনত সততে প্ৰয়োজন হোৱা মৃৎ শিল্পৰ অতি প্ৰয়োজনীয় কেঁচা মাটিকে ধৰি আন আনুষংগিক সামগ্ৰীবোৰ যাতে দুৰ্লভ বস্তুত পৰিণত নহয় আৰু সামগ্ৰীবোৰ মৃৎশিল্পীসকলে সহজতে পাব পাৰে চৰকাৰে তাৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰাটো নিত্যান্তই জৰুৰী বুলি সচেতন মহলে মন্তব্য কৰিছে।

# শুৱালকুছিৰ ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰত মথুৰা দাস বুঢ়া আতাৰ তিৰোভাৱ তিথি উপলক্ষে কৰভাৰ অনুষ্ঠান



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** বৰপেটা সত্ৰৰ প্ৰথম গৰাকী সত্ৰাধিকাৰ তথা তিনি ৰাজ্যৰ অধিকাৰ একশৰণ হৰি-নাম ধৰ্মৰ অন্যতম প্ৰচাৰক মথুৰা দাস বুঢ়া আতাৰ তিৰোভাৱ তিথি ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰত দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰে। পুৱা জাগৰণ চলনা গীতৰৰ পিছত আইসকলৰ নাম প্ৰসঙ্গ বাপুসকলৰ নাম প্ৰসঙ্গ চৰিত তোলা পাঠ পঢ়া গায়ন বায়নৰ পিচত নিৰ্মাল্য বিতৰণ প্ৰসাদ বিতৰণ কৰে। আবেলি পৰম্পৰাগতভাৱে সত্ৰত ভকতসকলে কৰভাৰ প্ৰদান কৰে। এই উপলক্ষে ভকত আইসকল যুৱক-যুৱতী শিশুসকলে কান্ধত কোমোৰা কাচকল চাউল দালি ঔটেঙা আদি দ্ৰব্য বস্তু সমূহ লৈ নাম কীৰ্ত্তন কৰি সমগ্ৰ গাঁও পৰিভ্ৰমণ কৰে। প্ৰায় তিনি হাজাৰো অধিক ভকত আইসকলৰ হৰিনামৰ ধ্বনিয়ে আকাশ বতাহ মুখৰিত কৰি তোলে। নাম কীৰ্ত্তনত মতলীয়া হৈ নগৰ পৰিভ্ৰমণৰ পিছত সত্ৰত প্ৰৱেশ কৰি সত্ৰাধিকাৰে নামঘৰ সত্ৰসমূহৰ খবৰ লৈ বাতৰি বাতৰি সোধাৰ অন্তত হৰিধ্বনিৰে কৰভাৰৰ দ্ৰব্য বস্তু সমূহ ভকতৰ মাজত বিতৰণ কৰি দিয়ে। হৰিনাম সমদলত বিজেপিৰ অনুসূচিত জাতি মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি প্ৰকাশ চন্দ্ৰ দাসে অংশগ্ৰহণ কৰি শুৱালকুছি হাটীসত্ৰৰ ঐতিহাসিক সত্ৰীয়া পৰম্পৰা ধৰি ৰাখি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ আদৰ্শ বাট বুলি অসমীয়া জাতিৰ মেৰুদণ্ড আজিও পোন কৰি ৰখাৰ যি গৰিমা তাক শলাবলগীয়া বুলি মন্তব্য কৰে। কৰভাৰ অনুষ্ঠানত বিজেপিৰ অনুসূচিত জাতি মৰ্চাৰ সদ্য নিযুক্ত ৰাজ্যিক উপ-সভাপতি ডাঃ বেদব্ৰত পাঠকেও অংশগ্ৰহণ কৰে। ইয়াৰ সমান্তৰালভাৱে শুৱালকুছিৰ দুকুৰি সত্ৰতো মথুৰাদাস বুঢ়া আতাৰ তিৰোভাৱ তিথি উলহ মালহৰে উদ্‌যাপন কৰে।

# নগাঁও বিশ্ববিদ্যালয়ত 'শ্বহীদ অনিল বৰা সোঁৱৰণী আন্তঃবিশ্ববিদ্যালয়-মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা'ৰ আয়োজন

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত মাধ্যম আন্দোলনৰ শ্বহীদ অনিল বৰাৰ সোঁৱৰণত এখনি আন্তঃবিশ্ববিদ্যালয়-মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা আয়োজন কৰা হৈছে। অহা ৩০ অক্টোবৰ, ২০২৫ তাৰিখে দিনৰ ১০.০০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাখনৰ বিষয় সদনৰ মতে, 'পৰম্পৰাগত আৰু লোকজ্ঞান চৰ্চাই নৱ প্ৰজন্মক অধিক সমৃদ্ধ কৰিব' (In the Opinion of the house 'Practising Traditional and Folk Knowledge will Enrich the New Generation)। এখন শিক্ষানুষ্ঠানৰ পৰা এটা দলেহে অংশগ্ৰহণ কৰিব পাৰিব। ইচ্ছুক প্ৰতিযোগীয়ে এককভাৱেও অংশগ্ৰহণ কৰিব পাৰিব কিন্তু দলীয় পুৰস্কাৰৰ বাবে বিবেচিত নহ'ব। প্ৰতিযোগীসকলে ৯৮৬৪৯-৭৯৮১১, ৮৪০৩৯-৭২৭২০ নম্বৰত যোগাযোগ কৰি অহা ২৫ অক্টোবৰৰ ভিতৰত নাম পঞ্জীয়ন কৰিব পাৰিব। প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ এনেধৰণৰ ঃ ১। শ্ৰেষ্ঠ দল ঃ ২৫,০০০ টকা, মান পত্ৰ আৰু ট্ৰফী; ২। দ্বিতীয় শ্ৰেষ্ঠ দল ঃ ২০,০০০ টকা, মান পত্ৰ আৰু ট্ৰফী; ৩। শ্ৰেষ্ঠ তাৰ্কিক ঃ ১০,০০০ টকা, মানপত্ৰ আৰু ট্ৰফী; ৪। দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিক ঃ ৮,০০০ টকা, মানপত্ৰ আৰু ট্ৰফী ৫। তৃতীয় শ্ৰেষ্ঠ তাৰ্কিক ঃ ৬,০০০ টকা, মানপত্ৰ আৰু ট্ৰফী।

# উৰিয়া গাঁৱত শিল্পী জুবিন গাৰ্গৰ জুবিন সংগীত প্ৰতিযোগিতাৰ আয়োজন

**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ উৰিয়া গাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত অসমীয়াৰ হিয়াৰ আমঠু, জনতাৰ শিল্পী জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মজয়ন্তী অনুষ্ঠানটি যোৱা ১৮ নৱেম্বৰত উৰিয়া গাঁও খেলপথাৰত আয়োজন কৰা হৈছে। ছাত্ৰ সন্থাৰ বিষয়ববীয়া বেদান্ত ৰক্তিম বৰাই জনোৱা মতে উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি সেইদিনা বিভিন্ন কাৰ্যসূচীৰ লগতে এখনি জুবিন সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। 'ক' শাখা (৫-১৩ বছৰলৈ) আৰু 'খ' শাখা (১৪ বছৰৰ পৰা ওপৰলৈ) দুটা শাখাত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাখনিত কোনো ভৰ্তি মাচুল নাই। 'ক' শাখাত প্ৰথম পুৰস্কাৰ ৫০০১ টকা, দ্বিতীয় পুৰস্কাৰ ৩০০১ টকা, তৃতীয় পুৰস্কাৰ ২০০1 টকা আৰু 'খ' শাখাত প্ৰথম পুৰস্কাৰ ৭০০১ টকা, দ্বিতীয় পুৰস্কাৰ ৫০০১ টকা, তৃতীয় পুৰস্কাৰ ৩০০১ টকা প্ৰদান কৰাৰ উপৰিও দুয়োটা শাখাত প্ৰতিযোগিতাখনত স্থানপ্ৰাপ্তসকলক মানপত্ৰ প্ৰদান কৰা হ'ব। তদুপৰি প্ৰতিযোগিতাখনিৰ দুয়োটা শিতানতে নিচুকনি বঁটা আৰু বিচাৰকৰ বিশেষ বঁটা প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাখনত অংশগ্ৰহণ বাবে ইচ্ছুক প্ৰতিযোগীসকলক ম'বাইল ৮৬৩৮৭৬২২২৯,৭০০২৫৭২১২১ নম্বৰত আগতীয়াকৈ যোগাযোগ কৰিবৰ বাবে উদ্যোক্তাসকলে আহ্বান জনাইছে।

# যোগাভ্যাস ঃ সু-স্বাস্থ্য জীৱনশৈলীৰ এক সজীৱ দিশ

■ **শংকৰ দেৱ,** দেৰগাঁও

**যো**গাভ্যাস বহু প্ৰাচীন কালৰ পৰাই ভাৰতীয় সমাজৰ সৈতে জড়িত এক অবিচ্ছেদ্য অংশ। আধুনিক যুগত যোগ কেৱল ধৰ্মীয় সাধনাৰ সীমাৰ ভিতৰতেই সীমাবদ্ধ হৈ থকা নাই, ই বিজ্ঞানসন্মতভাৱে এক সু-স্বাস্থ্য জীৱন শৈলীৰ আধাৰ স্বৰূপে বিশ্বজুৰি স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰাচীন ভাৰতীয় দৰ্শনৰ এক অমূল্য দান হ'ল যোগ। 'যোগ' শব্দটোৰ উৎপত্তি হৈছে সংস্কৃত শব্দ 'যুজ' ধাতুৰ পৰা, যাৰ অৰ্থ হৈছে সংযোগ অৰ্থাৎ মিলন। শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক বিকাশৰ ক্ষেত্ৰত ই এক গম্ভীৰ আৰু বৈজ্ঞানিক পদ্ধতি হিচাপে বিবেচিত হৈ আহিছে। বিদ্যালয়-মহাবিদ্যালয়ৰ শিক্ষক ছাত্ৰ-ছাত্ৰী, চৰকাৰী চিকিৎসালয়ৰ কৰ্মচাৰী, আৰক্ষী-সেনাবাহিনীৰ জোৱান আদি ভিন্ন পৰ্যায়ৰ মানুহৰ মাজত আজি যোগাভ্যাসে এক বিশেষ স্থান দখল কৰি ৰাখিছে। ইয়াৰ বিশেষত্ব হ'ল যে ইয়াৰ বাবে কোনো ব্যয়বহুল চিকিৎসা বা কঠিন অনুশীলনৰ প্ৰয়োজন নহয়, কেৱল ইয়াৰ নিয়মিত অনুশীলন যিকোনো লোকে নিজৰ দৈনন্দিন জীৱনৰ সৈতে মিলাই অন্তৰ্ভুক্ত কৰি ল'ব পাৰে।

যোগাভ্যাসৰ ইতিহাস বহু পুৰণি। বেদ, উপনিষদ, মহাকাব্য আদি পুৰণি গ্ৰন্থ সমূহত 'যোগাভ্যাস'ৰ বিভিন্ন ধৰণৰ কথা পোৱা যায়। বৈদিক যুগত যজ্ঞ, সাধনা, ধ্যান আৰু শুদ্ধ আচাৰ-বিচাৰৰ জৰিয়তে দেহ-মন-আত্মাৰ একত্ৰতা তথা মুক্তিৰ সাধনাই আছিল মূল লক্ষ্য।

যোগ বিভিন্ন প্ৰকাৰৰ যেনেকৈ হঠযোগ, ৰাজযোগ, জ্ঞানযোগ, কাৰ্মযোগ, ভক্তিযোগ ইত্যাদি ইত্যাদি। দৈনন্দিন জীৱনত বিশেষকৈ শাৰীৰিক সুস্থতাৰ বাবে ব্যৱহৃত হয় হঠযোগ আৰু ধ্যান যোগ। ইয়াৰ ভিতৰত মূল উপাদান কেইটাৰ বৰ্ণনা এইদৰে উল্লেখ কৰিব পাৰি -

**আসন ঃ** ভিন্ন ভিন্ন দেহভংগীৰ যোগেৰে দেহক সবল, স্থিৰ আৰু আৰামদায়ক কৰি তোলে। উদাহৰণস্বৰূপে- ভুজঙ্গাসন, তডাসন, শৱাসন, বজ্ৰাসন ইত্যাদি ইত্যাদি।

**ধ্যান (মেডিটেশ্বন) ঃ** মনক একাগ্ৰ কৰাৰ বাবে ধ্যান অতি সহায়ক। ই মানসিক চাপ হ্ৰাস কৰি মানসিক শান্তি প্ৰদান কৰে।

**প্ৰাণায়াম ঃ** নিয়মিত শ্বাস-প্ৰশ্বাসৰ অনুশীলনৰ দ্বাৰা শ্বাস প্ৰণালী উন্নত হয়, মনৰ একাগ্ৰতা বৃদ্ধি পায়। যেনে কপালভাতি, ভ্ৰমৰী, অনুলোম-বিলোম ইত্যাদি।

যোগাভ্যাসৰ ফলত দেহ আৰু মনৰ মাজত এক সুসমন্বয় গঢ়ি উঠে। এই অনুশীলনে-


উচ্চ ৰক্তচাপ, ডায়েবেটিছ, মুটিয়নী, অনিদ্ৰা, উদ্বেগ আদি নিয়ন্ত্ৰণত সহায় কৰে, স্মৃতি শক্তি আৰু মনোবল বৃদ্ধি কৰে, মনক ধৈৰ্য্যশীল আৰু সজাগ কৰি তোলে। ইয়াৰোপৰি আমাৰ দীৰ্ঘজীৱন আৰু আনন্দময় জীৱনৰ পথ প্ৰসস্ত কৰে।

২০১৫ চনৰ পৰা প্ৰতি বছৰৰ ২১ জুন তাৰিখে যোগক 'আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস' হিচাপে উদ্‌যাপন কৰা হয়। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰসংঘত প্ৰস্তাৱ দাঙি ধৰাৰ পিছত, এই দিৱসক বিশ্ববাসীয়ে গ্ৰহণ কৰে। ইয়াৰ জৰিয়তে যোগৰ গ্লোবেল স্বীকৃতি আৰু গুৰুত্ব অধিককৈ বৃদ্ধি পাবলৈ ধৰিলে।

যোগাভ্যাস কেৱল শাৰীৰিক ব্যায়াম বা ধৰ্মীয় অনুশীলনেই নহয়-ই হৈছে এক সম্পূৰ্ণ বিজ্ঞানসন্মত সু-স্বাস্থ্যৰে থকা এক বাস্তৱ জীৱনপদ্ধতি। বিশ্বজুৰি স্বাস্থ্য সংকট আৰু মানসিক চাপৰ যুগত, যোগ হৈছে এক প্ৰাকৃতিক, বিজ্ঞানসন্মত আৰু পৰীক্ষিত সমাধান।

সেয়ে, আহক-দৈনন্দিন জীৱনত অলপ সময় বিচাৰি নিয়মিত যোগাভ্যাস কৰোঁ, দেহ, মন আৰু আত্মাক সুস্থ আৰু সজাগ ৰাখোঁ। যোগৰ জৰিয়তে সুস্থ সমাজ আৰু উন্নত জীৱন গঢ়ি তোলাৰ বাবে এইটো হ'ব পাৰিব এক সঠিক পদক্ষেপ।

ম'বাইল ঃ ৭০০২৭-৮১৮৪১



# এক শুভংকৰ প্ৰতীতিৰ উন্মেষণ

■ দিলীপ কুমাৰ শৰ্মা
বৰগছতল, গীতানগৰ

**(ক) অমানিশা ঃ কাজল-বৰণ আন্ধাৰৰ ৰাজত্বৰ এটা দৃশ্যপট**

নিগাজীপাম পাঠশালা স্কুলখনত এতিয়া বানে গৰকা মানুহৰ আশ্ৰয় শিবিৰটো। আশ্ৰয় শিবিৰটোলৈ সোমোৱা বাটটোৰ দাঁতিত এজোপা বুঢ়া নাহৰ গছ। নাহৰ গছজোপাৰ পৰা ওলোৱা কেতেৰীয়া ডাল এটাৰ তলৰ শিল এটাত বহি আছে অৰবিন্দ। বানপানীৰ সোঁতত উটি-ভাঁহি ফুৰা মেটেকাৰ থুপটোৰ দৰে হৈছে তাৰ মনটো, অশান্ত, চঞ্চল। মনটো তাৰ ইফালে গৈছে, সিফালে গৈছে, চিন্তাৰ পকনীয়া একোটাত পৰি পাকে পাকে ঘূৰিছে। প্ৰতিটো বছৰেই কপিলী নৈয়ে মথাউৰি ভাগিছে, নৈপৰীয়া গাঁৱত প্ৰলয়ংকৰী বানপানী হৈছে, গাঁৱৰ ৰাইজৰ বিলাই-বিপত্তিৰ সীমা নোহোৱা হৈছে। তৎস্বত্বেও, গাঁৱৰ মানুহবোৰ নিৰ্বিকাৰ, অদ্যপিও এই মানুহবোৰৰ মনত শুভ বোধৰ উদয় হোৱা নাই। হেৰৌ, চৰকাৰী বিভাগটো আহিছে, কপিলী নৈত সুদৃঢ় মথাউৰি গঢ়িব খোজে- কেনে এটা সজ উদ্দেশ্য ! মথাউৰি গঢ়াৰ বিনিময়ত ৰাইজেনো চৰকাৰী বিভাগটোক দিব লাগে কি? নিজৰ নিজৰ পথাৰৰ কিছু পৰিমানৰ মাটি আৰু সৌ ত্ৰিদেৱ পাহাৰৰ কিছু পৰিমানৰ শিল। সিমানেই। নাই, নিদিয়ে ৰাইজে-নিজৰ ব্যক্তিগত মাটি কাটি চৰকাৰী বিভাগ এটাক মথাউৰি বান্ধিবলৈ দিব, ই কেনে কথা! এই মাটি-জমিবোৰ জানো গাঁৱৰ ৰাইজৰ পৈত্ৰিক সম্পত্তি নহয়? গতিকে কিয় দিব? আৰু সৌ ত্ৰিদেৱ পাহাৰহেন পাহাৰখনৰ পৰা শিল কাটি আনিব, ৰাইজে তেনে কাৰ্যত চকুমুদি হয়ভৰ দিব? অসম্ভৱ কথা। ত্ৰিদেৱ নামৰ পাহাৰ সেইখন, তিনি দেৱতাৰ স্থিতি তাত, তাৰ এচপৰা শিল কাটিবলৈ দিলেই গাঁৱৰ অমঙ্গল হ'ব, গাঁৱত মহামাৰী লাগিব, গাঁও গুচি মৰিশালী হ'ব। গতিকে ত্ৰিদেৱ পাহাৰৰ পৰা কাৰোবাক শিল কাটি আনিবলৈ দিবনে ৰাইজে? কদাপি নিদিয়ে। ....উঃ, কিদৰে বুজোৱা যায় গাঁৱৰ এই অবোধ মানুহবোৰক? কিদৰে? কিদৰে? অৰবিন্দৰ মনত কোনো সমাধান সূত্ৰৰ উদ্ৰেক হোৱা নাই। বিভ্ৰান্ত সি।

**(খ) অমানিশাৰ ঘোৰ অন্ধকাৰময় ৰাজ্যত দুখ-দুৰ্দশাৰ কেইটামান দৃশ্যপট ঃ**

**১ নং দৃশ্যপট**

সৌ সিদিনাখন, দোপ্ৰহৰ ৰাতি, নৈপৰীয়া খেতিয়কৰ বৰঘৰৰ দৰজাত টোকৰ মাৰিলেহি বানে মথাউৰি ভগা আপদীয়া শব্দই। 'ভাগিল ঔ ভাগিল, কাজলীনৈৰ মথাউৰি ভাগিল। ৰাইজ, সাৱধান হওঁক, সাৱধান হওঁক।'-- গগনভেদী চিঞৰি চিঞৰি নৈপৰীয়া ৰাইজক জান দিলে নৈপাৰত পৰ দি থকা খৰ্গেশ্বৰ, মহীৰাম হঁতে। লগে লগে গাঁৱৰ মানুহৰ কন্দা-কটা, চিঞৰ-বাখৰ, উকিয়া-উকিয়ে গিলিপ মাৰি ধৰিলে নৈপৰীয়া গাঁওবোৰ।

ভয়ংকৰ দৈত্যৰ দৰে চিঞৰি চিঞৰি নৈৰ সংহাৰি বানে কোবাল গতিত ঢাপলি মেলিলে গাঁও বোৰলৈ। চাওঁতে চাওঁতে এফালৰ পৰা বুৰ যাবলৈ ধৰিলে ধাননী পথাৰৰ মাজৰ সৰু বৰ আলিবোৰ, ধাননি পথাৰ ভৰি থকা সজাল ধৰা ৰোৱাবোৰ। লগে লগে কক্‌বকাই কক্‌বকাই বুৰ যাবলৈ ধৰিলে সেউজ-বৰণ ৰোৱাৰ পাতত ওলমি থকা খেতিয়কৰ কাঞ্চনবুলীয়া সপোনবোৰ।

এদিন গ'ল, দুদিন গ'ল, এসপ্তাহ পাৰ হ'বৰে হ'ল, পানী নকমিল।

এতিয়া চৌদিশে কেৱল পানী আৰু পানী, যেন সমস্ত ভুৱন জুৰি প্ৰলয় কালৰহে পানী। সেই পানীয়ে ঘেৰি আনিব লাগিছে নিগাজীপাম পাঠশালা স্কুলখনত আশ্ৰয়লৈ থকা বানাক্ৰান্ত মানুহবোৰক। প্ৰথম দিনাখন দোপ্ৰহৰ ৰাতি মানুহবোৰে যেতিয়া স্কুলঘৰটোত আশ্ৰয় লৈছিলহি, তেতিয়া স্কুলঘৰটোৰ সন্মুখৰ পথাৰখনত পানী উঠা নাছিল, এতিয়া তাত একাঠু পানী। এনেকি স্কুলঘৰটোৰ নিচেই কাষেদি যোৱা দেউকন পথটোৰ ওপৰতো এতিয়া পানী, তাত চিপ্ চিপ্ পানীৰ এটা তৰপ। দেউকণ পথৰ সিকাষে বিস্তীৰ্ণ এলেকাজুৰি যে এখন ধাননী পথাৰ আছিল, সেই পথাৰখনত যে সঁজালধৰা ৰোৱাবোৰ আছিল, আকৌ ৰোৱাবোৰৰ মাজে মাজে যে আলিবোৰ আছিল, ওখ ওখ বাকৰিবোৰ আছিল সেইবোৰৰ এতিয়া কোনো চিন মোকাম নাই।

সৌৱা, নিগাজীপাম পাঠশালা স্কুলঘৰটোৰ বাৰান্দাৰ পৰা বিহঙ্গম অৱলোকনত দৃশ্যমান এক ধূসৰ দৃশ্যপট। সৌ দূৰণীত কাজলী নৈখনৰ অঙ্গক্ষত দেহৰ মথাউৰীটোৰ কিয়দঅংশ, নৈখনৰ ইকাষৰ সাগৰ-সংকাশ পানীৰ মাজত আধালৈকে বুৰ যোৱা ঘৰবোৰ, তাৰ কাষে-পাজৰে থকা তামোল গছবোৰ, নাৰিকল গছবোৰ, পথাৰৰ মাজৰ অ'ত ত'ত থকা শিমলুগছবোৰ, আমগছবোৰ।

মাজে মাজে বিশাল বিস্তৃতিময় বানপানীৰ অশান্ত ঢৌবোৰৰ ওপৰেদি বিষাদৰ কৰুণ সুহুৰি মাৰি উৰি আহে একো একোজাক বতাহ।

**২ নং দৃশ্যপট**

আশ্ৰয় শিবিৰটোত এতিয়া আকাল। পেটত ক্ষুধাৰ জ্বালালৈ যন্ত্ৰণা-গধুৰ সময় অতিবাহিত কৰিছে শিবিৰটোৰ মানুহবোৰে। নৈয়ে মথাউৰি ভগা সেই অমঙ্গলীয়া ৰাতি বানে খেদা মানুহবোৰৰ হাতে হাতে যিখিনি চাউল আহিছিল, যিখিনি দাইল আহিছিল, যিখিনি সান্দহ গুৰি আহিছিল সেইখিনিৰো এতিয়া শেষ হওঁ হওঁ অৱস্থা। ইপিনে দেহত পিন্ধা কাপোবোৰৰ পৰা ওলাবলৈ ধৰিছে ভেকেটা-ভেকেট দুৰ্গন্ধ। সিদিনা দোপ্ৰহৰ ৰাতি বানে মথাউৰি ভগা খবৰটো পাই থিতাতে হাততে পোৱা খাদ্য সামগ্ৰী অলপমানকৈ লৈ তৰা-নৰা ছিগি দৌৰি আহি স্কুল ঘৰটোত আশ্ৰয়লৈ কথমপি প্ৰাণবোৰহে বচাইছিল মানুহবোৰে। নিত্য ব্যৱহাৰ্য বস্তু-বাহানিবোৰ কাপোৰ-কানিবোৰ সামৰি-সুতৰি লবলৈ সময়কে নাপালে সেই মানুহবোৰে।

আশ্ৰয় শিবিৰটোত এটাই মাত্ৰ পাইখানা, তাৰো মজিয়াত ভৰিৰ কলাফুল তলযোৱা পানী, সেই পানীত ওপঙি থাকে বিষ্ঠা। এতিয়া সেই পাইখানাটোত শৌচ কৰাটোতো দূৰৈৰে কথা, পাইখানাটোৰ সন্মুখলৈকেই যোৱাটো অসম্ভৱ, কি যে পূতিগন্ধময় পৰিবেশ তাত! পাইখানাটোৰ সন্মুখলৈ গলেই বিষ্ঠাৰ দুৰ্গন্ধিত ওকালি আহিব খোজে, পেটৰ ভিতৰৰ পৰা নাড়ী-ভুঁৰুবোৰ মুখেদি ওলাই আহিব খোজে। এনেকি, কোনোবা মুহূৰ্ত্তত স্কুলঘৰটোৰ কোঠাবোৰলৈকো ভাঁহি আহে বিষ্ঠাৰ সেই অসহনীয় দুৰ্গন্ধ।

সেই যে যদুপতি মহাজনৰ ঘৰৰ পাছফালৰ ওখ ঠাইখিনিত থকা ভলুকাবাঁহৰ জোপোহাটো, এতিয়া তাৰ সিকাষলৈ গৈয়েই শৌচ কৰিব লাগে আশ্ৰয় শিবিৰটোৰ সকলোবোৰ মানুহে, মুনিহে তিৰোতাই একেলগে। উঃ কি যে দুঃসময়!

ইপিনে আশ্ৰয় শিবিৰটোত কাৰোবাৰ জ্বৰ, কাৰোবাৰ গাৰ বিষ, কাৰোবাৰ তেজগ্ৰহণী।

সৌ সিদিনাখন ৰুকমলৰ সৰু ছোৱালীজনীক তেজগ্ৰহণীয়ে পালে, দিনটোত কেবাবাৰো শৌচ কৰিলে, পাছত পাছদিনাখন পুৱতি নিশাতে তাই চকু মুদিলে। বাঘমৰা জাৰণিৰ পৰা গোটাই আনি ৰুকমলৰ জীয়েকক কেবা বিধো বনদৰব খুৱাইছিল মহীধৰ কবিৰাজে, কিন্তু কামত নাহিল।

ৰুকমলৰ জীয়েকৰ ৰোগৰ লক্ষণ দেখি শিবিৰটোৰ মানুহবোৰে প্ৰমাদ গণিলে বোলে ই এলাপেচা ৰোগ নহয়, কালান্তক সোঁচৰা ৰোগ। এই ৰোগত মানুহ মৰি সাং হ'ব এতিয়া। হে হৰি, এতিয়া কি কৰা যায়, এতিয়া কি কৰা যায়?

পিছে, মানুহবোৰৰ ধাৰণা ভুল আছিল, সেয়া কোনো কালান্তক সোঁচৰা ৰোগ নাছিল। আশ্ৰয় শিবিৰটোৰ আৰু দ্বিতীয়জন মানুহ তেনে গ্ৰহণীৰ দ্বাৰা আক্ৰান্ত নহ'ল।

**৩ নং দৃশ্যপট**

আজি অতদিন হ'ল, কাজলীনৈৰ দাঁতিতে থকা ৰূপহী গাঁৱৰ হলধৰ হঁতৰ কোনো খা-খবৰ নাই। বানপানীৰ উন্মত্ত ঢলবোৰে যেতিয়া ভোকাতুৰ অজগৰ সাপ একোটা হৈ গাওঁবোৰ এফালৰ পৰা গিলিবলৈ ধৰিছিল, তেতিয়া প্ৰাণৰ আত্ৰাণিত গাঁৱৰ যিবোৰ মানুহ এই পাঠশালা স্কুলখনৰ ফালে দৌৰি আহিছিল সিবোৰ মানুহৰ মাজত হলধৰহঁত নাছিল।

এদিন যদুপতি মহাজনৰ বাৰীৰ পৰা কাটি অনা কলগছৰ ভূৰত উঠি টিলেশ্বৰ আৰু বাপুকনে হলধৰহঁতক বিচাৰি যাবলৈ ওলাল। তাকে দেখি কোমোৰাঝাৰ গাঁৱৰ বয়োবৃদ্ধলোক মনেশ্বৰে সিহঁতক হাক দিলে এইবুলি-- "তহঁতে এনেদৰে কলৈ যাবলৈ ওলাইছ' হোঁ? এনে মৰসাহ কৰিব নাপায়। সেই গাঁৱত এতিয়া থাউনি নোপোৱা পানী, তাতে পানীত সাপৰ নেগুৰ ছিগা ধাৰ, তেনেহেন ঠাইলৈ তহঁতে যাবলৈ ওলাইছ কলৰ ভূৰলৈ! নাযাবি, নাযাবি, তহঁতে এনেদৰে ফৰিং জাহ দি মৰিবলৈ নাযাবি।"

টিলেশ্বৰহঁতে মনেশ্বৰৰ হাক-বচন নুশুনিলে। পানীৰ থাউনি নোপোৱা গভীৰতা আৰু তীব্ৰবেগী সোঁতৰ ভয়াৱহতাকো আওকাণ কৰি এবেলা ভূৰ চলাই সিহঁত গৈ হলধৰহঁতৰ নৈপৰীয়া গাওঁখন পালে। সিহঁতে তাত গৈ দেখিলে হলধৰহঁতৰ ঘৰটো য'ত আছিল, তাত যেন এতিয়া এখন খৰস্ৰোতা পানীৰ জীয়া নৈ। তাত এতিয়া অকল হলধৰহঁতৰ ঘৰকেইটাই নহয়, এখন বৃহৎ গাওঁ জুৰি ঠাহখাই থকা ঘৰ-দুৱাৰৰ কোনো চিন-চাব নাই।

টিলেশ্বৰ হঁতৰ মুখে সকলোবোৰ শুনি আশ্ৰয় শিবিৰটোৰ মানুহবোৰে ঠাৱৰ কৰি ললে-- সিদিনাখন ৰাতি কোনো অজ্ঞাত কাৰণত হলধৰহঁতে নিজৰ ঘৰখন এৰি আঁতৰি নাহিল, পাছত পানীৰ কোবাল সোঁতে হলধৰহঁত থকা ঘৰটো উটুৱাই লৈ গ'ল, ঘৰটোৰে সৈতে উটি গ'ল হলধৰ, হলধৰৰ ঘৈনীয়েক পদুমনী আৰু পুতেক কনপাই।

**৪ নং দৃশ্যপট**

নাহৰ গছজোপাৰ তলৰ শিলটোত বহি থকা অৰবিন্দৰ বাওঁ ভৰিখন জিন্‌জিনালে, সি থিয় দি ঠাইতে কিছুপৰ ৰ'ল, পাছত বাওঁভৰিখন সোঁভৰিখনৰ ওপৰত তুলি সি পুনৰ শিলটোত একতীয়াহৈ বহিল। তেনেতে সি তাৰপৰা পশ্চিম দিশৰ দেউকণ পথৰ কেঁকুৰিটোৰ ওচৰত দেখিলে আদবয়সীয়া বলীয়া মানুহ এজন। মানুহজনে হাড়গিলা এটাৰদৰে পানীত জপং জপংকৈ খোজ দি দেউকন পথেদি আহি আছে সিহঁতৰ ফালে। সি খিল্‌খিল্‌কৈ হাঁহিছে, হাঁহি হাঁহি পুনৰ হুক্‌হুক্‌কৈ কান্দিছে।

মানুহজনে স্কুলঘৰটোৰ পৰা কিছু নিলগত বৈ পথাৰৰ ওপৰৰ ওফন্দ খোৱা পানীবোৰলৈ চাই খঙেৰে চিঞৰিবলৈ ধৰিলে "হেই বানপানী, এতিয়া মুখেৰে নেমাত হোঁ, মনে মনে আছ।" হঠাৎ কান্দি উঠিল মানুহজনে। পাছত কাৰুণ্য সনা স্বৰেৰে পুনৰ চিঞৰি চিঞৰি কবলৈ ধৰিলে-- "আমাৰ ঘৰৰ সকলোকে দেখোন লৈ গলি তই, সকলোকে লৈ গলি। মোকনো তই কি বেয়া পালি, মোক যে তই অকলে এৰি থৈ গলি?" মানুহজন এইবাৰ কান্দি-কাতি বাউল হৈ পৰিল, সি শ্লথ গতিৰে স্কুলঘৰটোৰ ফালে আহি থাকিল। স্কুলঘৰটোৰ নিচেই কাষ চাপি আহিলত অৰবিন্দই তাক চিনি পালে। মানুহজনক দেখি যেন অৰবিন্দই তাৰ বুকুৰ কলিজাত বিহ পৰুৱাৰ কামোৰ এটাহে অনুভৱ কৰিলে। সেইজন দেখোন আন কোনো নহয়, হলধৰ, হলধৰ। অৰবিন্দৰ আৰু বুজিবলৈ বাকী নাথাকিল- ৰূপহী গাঁৱৰ হলধৰৰ ঘৈণীয়েক পদুমনী আৰু পুতেক কণপাইৰ ইতিমধ্যে কপিলী নৈৰ বানপানীত সলিল সমাধি ঘটিল। উঃ, কি মৰ্মান্তিক, কি বেদনাদায়ক!

**(গ) আন্ধাৰৰ ৰাজ্যৰ অ'ত ত'ত ক্ষীণ পোহৰৰ জিলিকঃ এটা দৃশ্যপট দৃশ্যপট।**

সমগ্ৰ স্কুলঘৰটো ৰজন্‌জনাই একপ্ৰকাৰ আটাহ পাৰিয়েই কৈ উঠিল টিলেশ্বৰে- "কাজলী নৈৰ মথাউৰি বান্ধিবলৈ অহা চৰকাৰী বিভাগটোক নিজৰ এচপৰাও মাটি দিব নোখোজা পুণীৰাম, ধনপতিহঁতৰ খেতিৰ পথাৰত এতিয়া বোধ হয় কাজলী নৈৰ বালিৰ তৰপ। হয়নে ৰাইজ?" মেলৰ মানুহবোৰে ইজনে সিজনৰ মুখ চোৱা -চুই কৰিলে। কোনোবাজনে টিলেশ্বৰৰ কথাখিনিত হয়ভৰ দি 'হয়' 'হয়' বুলিলে, কোনোবাজনে কিঞ্চিত কোপ দৃষ্টিৰে পুণীৰাম অথবা ধনপতিৰ মুখলৈ চালে, আকৌ কোনোবাজনে মুখেৰে একো নামাতি গুম হৈ বহি থাকিল। টিলেশ্বৰে কৈ গ'ল- "সৌ সিদিনাখন ৰুকমলৰ জীয়েকজনী ঢুকাল, হলধৰে তাৰ ঘৈণীয়েক আৰু পুতেকক হেৰুৱাই বলীয়া হ'ল। ত্ৰিদেৱ পাহাৰৰ তিনি দেৱতাৰ পৰম ভক্ত আমাৰ ৰাইজে ত্ৰিদেৱ পাহাৰৰ শিল কটাত বাধাপ্ৰদান কৰি তিনি দেৱতাৰ প্ৰতি থকা গভীৰ ভক্তিৰেই নমুনা দেখুৱালে।

পিছে তিনি দেৱতাই ৰাখিব পাৰিলেনে ৰুকমলৰ জীয়েকক, হলধৰৰ জীয়েক-পুতেকক? কপিলীৰ বানে এইবাৰো খেতিপথাৰ উছন কৰিলে, তিনি দেৱতাৰ কৃপাত বানপানীত উটি যোৱা সেই ধানবোৰ, সেই সা-সম্পত্তিবোৰ ৰাইজে পুনৰ ঘূৰাই পাবনে বাৰু?" ৰাইজ নিমাত। পৰিবেশটো গহীন, ৰাইজে কথাবোৰ গমি-পিতি চালে। হয় দে, টিলেশ্বৰৰ কথাবোৰ কোনোপধ্যেই উলাই কৰিব পৰা বিধৰ নহয়।

**(ঘ) গোটমৰা আলোকেৰে সমুজ্জ্বল এটা নতুন দিনৰ নতুন প্ৰভাত সমাগত ঃ দুটা দৃশ্যপট**

**১ নং দৃশ্যপট**

বুঢ়া নাহৰ গছজোপাৰ তলত বহি থকা অৰবিন্দৰ মনত এতিয়া চিন্তাৰ অশান্ত ঘূৰ্ণিপাক নাই, বিভ্ৰান্তি নাই, উক্‌মুকনি নাই। তাৰ মনত এতিয়া বানাক্ৰান্ত মানুহৰ ত্ৰাণকৰ্তাৰ ৰূপত উদ্ভাসিত এক সমাধান সূত্ৰৰ ধূসৰ অৱস্থিতি বৰ্তমান, যি সমাধান সূত্ৰৰ এক জ্যামিতিক মাত্ৰাগত ৰূপ ক্ৰমাৎ অস্পষ্টৰ পৰা স্পষ্ট।

**২ নং দৃশ্যপট**

বানপানী লাহে লাহে জামৰি গ'ল। একলাফুল বোকাৰ প্ৰলেপ এটা লৈ দেউকন পথটো ওলাল। শইচবিহীন বিস্তীৰ্ণ বালিময় চাপৰি একোখনহেন হৈ খেতিয়কৰ খেতিৰ পথাৰবোৰ ওলাল, ভগা-আধাভগা ঘৰবোৰেৰে গাঁওবোৰ ওলাল। গাওঁমুৰা মানুহবোৰৰ মনত এতিয়া এক নতুন প্ৰত্যয়ৰ জন্ম হ'ল, মানুহবোৰে মৰ্মে মৰ্মে উপলব্ধি কৰিলে- গাঁৱৰ মানুহৰ অবিবেচক সিদ্ধান্তইহে গাওঁবোৰলৈ মহা সংকটৰ মহাপ্লাৱন আনিলে। নাই, এনে ভুল আৰু কাহানিও নকৰে গাঁৱৰ মানুহে। বানাক্ৰান্ত নৈপৰীয়া সাতোখন গাঁৱৰ ৰাইজে মিলি সিদ্ধান্ত কৰিলে যে অতি সোনকালে টিলেশ্বৰ, খৰ্গেশ্বৰ সমন্বিতে এটা সজাতি দল চহৰস্থিত চৰকাৰী বিভাগটোলৈ যাব, মথাউৰিটো লৌহ কঠিনকৈ গঢ়ি তুলিবলৈ ৰাইজে বিভাগটোক ত্ৰিদেৱ পাহাৰখনৰ প্ৰয়োজনীয় শিল দিব, পথাৰৰ মাটি দিব, যথাসম্ভৱ সোনকালে মথাউৰিটো নিৰ্মাণ কৰিবলৈ যথাবিহিত নিয়ম অনুসাৰে বিভাগীয় কৰ্তৃপক্ষক তেওঁলোকে আবেদন জনাব। ■

# মাজুলী মহাবিদ্যালয়ত ড্ৰাগছ সম্পৰ্কীয় সজাগতা সভা সম্পন্ন




**বিকাশ শইকীয়া, মাজুলী ঃ** বৰ্তমান সমাজৰ বাবে মহামাৰীৰ দৰে হৈ পৰা ড্ৰাগছ আসক্তিৰ বিষয়ে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত জাগৰণ অনাৰ উদ্দেশ্যে অসম আৰ্থ-সামাজিক আৰু স্বাস্থ্য উন্নয়ন সমিতিৰ দ্বাৰা পৰিচালিত অসম আৰু মেঘালয়ৰ ৰাজ্যিক সমন্বয় সংস্থাৰ উদ্যোগত তথা মাজুলী মহাবিদ্যালয়ৰ সহযোগত মহাবিদ্যালয়খনত এক বিশেষ সজাগতা কাৰ্যসূচীৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ 'পদ্মকান্তদেৱ গোস্বামী সভাকক্ষ'ত আয়োজিত অনুষ্ঠানটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই 'ড্ৰাগছক আমাৰ সমাজত অজামিলস্বৰূপ পিতৃবধী' বৰবিহ বুলি অভিহিত কৰি প্ৰত্যক্ষ বা পৰোক্ষভাৱে ড্ৰাগছ আসক্তসকলে নিজৰ পৰিয়ালৰ লগতে সমাজক কিদৰে ক্ষতি কৰিছে তাৰ এক বাখ্যা আগবঢ়ায়। লগতে নিচাজাতীয় দ্ৰব্যৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক আঁতৰাই ৰাখিবলৈ মহাবিদ্যালয়খনে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়েও তেওঁ সকলোকে অৱগত কৰে। কাৰ্যসূচীত সমল ব্যক্তি হিচাপে উপস্থিত থাকি মাজুলী জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰাজশ্ৰী ধনদিয়াই নিজৰ সাৱলীল বক্তৃতাৰে ছাত্ৰ-ছাত্ৰীসকলক আপ্লুত কৰে। অসমীয়া নাট 'কানীয়া-কীৰ্ত্তন'ৰ প্ৰসংগ উল্লেখ কৰি আহোম ৰাজত্বকালত কানিৰ দৰে বৰবিহে অসমীয়া সমাজক যিদৰে ক্ষতিগ্ৰস্ত কৰিছিল সেইদৰেই বৰ্তমান ড্ৰাগছৰ আসক্তিয়ে সমাজখনক অস্থিৰ কৰি তুলিছে বুলি অভিহিত কৰে। ১৯৮৫ চনত ভাৰতবৰ্ষত প্ৰৱৰ্তিত হোৱা নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে প্ৰণয়ন হোৱা আইনৰ বিষয়ে ব্যাখ্যা কৰি বিগত বৰ্ষসমূহত ড্ৰাগছজনিত অপৰাধ কিদৰে বৃদ্ধি পাইছে তাৰ এক পৰিসংখ্যা সকলোৰে আগত দাঙি ধৰে। অনুষ্ঠানত বক্তব্য আগবঢ়াই অসম মেঘালয় ৰাজ্যিক সমন্বয় সংস্থাৰ মুখ্য কাৰ্যবাহী বিষয়া ড° সন্দীপ হাঞ্চেই ড্ৰাগছ প্ৰতিৰোধৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক বিশেষ প্ৰশিক্ষণ দিয়াৰ লগতে সকলো ছাত্ৰ-ছাত্ৰীক এই মহাব্যাধিৰ পৰা আঁতৰি থকাৰ পৰামৰ্শ আগবঢ়ায়। বঙালমৰাৰ জাগৃতি সন্মিলিত উন্নয়ন কেন্দ্ৰৰ মণিকা শইকীয়াই আঁত ধৰা অনুষ্ঠানত মাজুলী জিলা সমাজ কল্যাণ বিভাগৰ বিষয়া কণিকা পাইট, সাংবাদিক ৰাজীৱ পাটিৰ, জাগৃতি সন্মিলিত উন্নয়ন কেন্দ্ৰৰ সম্পাদক গৌতম কুমাৰ শইকীয়াই আৰু মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ সহকাৰী অধ্যাপক আচাৰ্য মোহন দাসে বক্তব্যৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলক সজাগ কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ড° অনুপ কুমাৰ দলে, অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° দেৱজ্যোতি ভট্টাচাৰ্য, জ্যেষ্ঠ অধ্যাপক ড° ৰূপজ্যোতি বৰা, সুৰেন চন্দ্ৰ দাস, বিজয় টিমুং, সুদৰ্শনা ফুকন প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলৰ লগতে দ্বিশতাধিক শিক্ষাৰ্থী উপস্থিত থাকি সমল ব্যক্তিসকলৰ সৈতে মত-বিনিময় কৰাৰ লগতে ড্ৰাগছৰ বিভীষিকাৰ বিষয়ে সকলোকে সজাগ কৰাৰ সংকল্প গ্ৰহণ কৰে।

# শোণিতপুৰ জিলা প্ৰশাসন আৰু ভাৰতীয় জনতা পাৰ্টীৰ অসম প্ৰদেশ কৃষক মৰ্চাৰ উদ্যোগত এক বিশাল কৃষক সজাগতা

## কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্যৰ অংশগ্ৰহণ




**ৰমেন ভৰালী, বংশৰ ঃ** শোণিতপুৰ জিলা প্ৰশাসন আৰু ভাৰতীয় জনতা পাৰ্টীৰ অসম প্ৰদেশ কৃষক মৰ্চাৰ উদ্যোগত আৰু শোণিতপুৰ জিলা কৃষক মৰ্চাৰ সহযোগত যোৱা ১৩ অক্টোবৰত শোণিতপুৰ জিলাৰ তেজপুৰৰ নেৰিআলম প্ৰেক্ষাগৃহত প্ৰায় ৩০০ ৰো অধিক থলুৱা কৃষকক লৈ শোণিতপুৰ জিলা কৃষক মৰ্চাৰ সভাপতি ৰোহেনী কান্ত শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এক বিশাল কৃষক সজাগতা সভা আৰু কৃষকসকলৰ লগত মত-বিনিময় অনুষ্ঠান এটি অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত অসম চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনিসমূহৰ ফলপ্ৰসূ ৰূপায়ণৰ লগতে কৃষকসকলৰ বিভিন্ন অভাৱ-অভিযোগ আৰু আধুনিক কৃষি পদ্ধতিৰ কালোচিত ব্যৱহাৰ তথা অৰ্থনীতি, পৰিৱেশ আৰু সামাজিক কল্যাণৰ প্ৰয়োজনীয়তাৰ মাজত ভাৰসাম্য অটুত ৰাখি কৃষকসকলক লাভান্বিত আৰু স্বাৱলম্বী কৰাৰ লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি এই কৃষক সজাগতা সভা অনুষ্ঠিত কৰা হয়। কৃষক, কৃষি আৰু কৃষি বিভাগৰ সম্পৰ্কৰ যোগসূত্ৰ স্থাপন কৰাৰ লক্ষ্য হ'ল কৃষক মৰ্চা অসম প্ৰদেশৰ এই সভাৰ মূল উদ্দেশ্য আগত ৰাখি সভাখনত আদৰণি ভাষণেৰে শোণিতপুৰ জিলাৰ অন্নদাতা কৃষকসকলক আদৰণি জনায় কৃষক মৰ্চা অসম প্ৰদেশৰ ৰাজ্যিক সভাপতি পংকজ বৰবৰাই। কৃষক সজাগতা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি সভাখন আগুৱাই নিয়ে ভাৰতীয় জনতা পাৰ্টীৰ কৃষক মৰ্চাৰ অসম প্ৰদেশৰ ৰাজ্যিক সাধাৰণ সম্পাদক ৰঞ্জিত ভট্টাচাৰ্যই কয় যে জৈৱিক কৃষিৰ জৰিয়তে আগবাঢ়ি নিজৰ ঘৰখনক সুস্থ ৰাখিবলৈ অনুৰোধ জনোৱাৰ লগতে সমাজখনৰো উপকাৰ হ'ব বুলি কয়। কৃষক সজাগতামূলক সভাখনত উপস্থিত থাকে কৃষক মৰ্চা অসম প্ৰদেশৰ ৰাজ্যিক সভাপতি পংকজ বৰবৰা, ভাৰতীয় জনতা পাৰ্টীৰ অসম ৰাজ্যিক কৃষক মৰ্চাৰ সাধাৰণ সম্পাদক ৰঞ্জিত ভট্টাচাৰ্য, কৃষক মৰ্চা শোণিতপুৰ জিলাৰ জিলা সভাপতি ৰোহেনী কান্ত শৰ্মা, শোণিতপুৰ জিলাৰ মাননীয় জিলা আয়ুক্ত আনন্দ দাস, চতিয়া সমষ্টিৰ মাননীয় বিধায়ক পদ্ম হাজৰিকা, ৰাজ্যিক বিজেপিৰ উপ-সভাপতি অশোক কুমাৰ ভট্টৰায় উপস্থিত থাকি ভাষণ দিয়ে। সভাত শোণিতপুৰ জিলাৰ জিলা বিজেপিৰ সভাপতি মধুস্মিতা হাজৰিকা, ভাৰতীয় জনতা পাৰ্টীৰ নেতা তথা ৰাজ্যিক কাৰ্যনিৰ্বাহ সদস্য বিজেপি অসম প্ৰদেশৰ হিৰণ্য ভূএগ্ৰা, কৃষক মৰ্চা অসম প্ৰদেশৰ ৰাজ্যিক সমিতিৰ তৰফৰ পৰা উপস্থিত থাকে ভাস্কৰ হাজৰিকা ডাঙৰীয়া, সঞ্জীৱ বড়া ডাঙৰীয়া, দিব্যলতা বৈশ্য, অসমী বৰা, প্ৰকাশ শইকীয়া, হৃষিকেশ কলিতা, পবিত্ৰ শইকীয়া, ডালিম কলিতা, শোণিতপুৰ জিলাৰ কৃষক মৰ্চাৰ আটাইকেইটা মণ্ডলৰ মণ্ডল সভাপতি, শোণিতপুৰ জিলাৰ ভালেমান কৃষক বন্ধুসকল লগতে কৃষি বিভাগৰ বিভিন্ন বিষয়াসকল উপস্থিত থাকে।


# বিশ্ব মানসিক স্বাস্থ্য দিৱস' উপলক্ষে চাৰিঙৰ শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয়ত বক্তৃতানুষ্ঠান

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলাৰ অন্তৰ্গত চাৰিঙৰ শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি তথা আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত যোৱা ১০ অক্টোবৰত 'বিশ্ব মানসিক স্বাস্থ্য দিৱস' সফলতাৰে উদ্‌যাপন কৰা হয়। উল্লেখ যে, দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা "Anxiety, Depression and Stress Management" শীৰ্ষক বক্তৃতানুষ্ঠানৰ শুভাৰম্ভণি কৰে শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিদ্যানন্দ বৰকাকতীয়ে। উক্ত অনুষ্ঠানত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি মনোজ্ঞ বক্তৃতা প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষৰে একালৰ ছাত্ৰী তথা যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ মনোৰোগ বিভাগৰ কনচালটেন্ট ক্লিনিকেল চাইক'লজিষ্ট প্ৰকাশি দুৱৰায়ে। লগতে উপস্থিত থাকে প্ৰকাশি দুৱৰাৰে সহপাঠী আন দুগৰাকী শিক্ষাৰ্থী ৰুমি দত্ত আৰু অংকিতা নাথ। এই বৰ্ষৰ বিশ্ব মানসিক স্বাস্থ্য দিৱসৰ মূল বাণী আছিল "Access to Services – Mental Health in Catastrophes and Emergencies".

# নগাঁও বিশ্ববিদ্যালয়ক প্ৰদান কৰা হয় ৰাষ্ট্ৰপতি বঁটা



**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও বিশ্ববিদ্যালয় আৰু পূৰ্বৰ নগাঁও কলেজ (অট'নমাচ)ৰ প্ৰাণীবিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক তথা ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যসূচী বিষয়া ড° ভুৱনচন্দ্ৰ চুতীয়া আৰু নগাঁও কলেজ (অট'নমাচ)ৰ এন এছ এছ গোটলৈ 'মাই ভাৰত ৰাষ্ট্ৰীয় সেৱা আঁচনি'ৰ বাবে ৰাষ্ট্ৰপতি বঁটা প্ৰদান কৰিছে। বিভিন্ন ধৰণৰ সমাজ সেৱামূলক কাৰ্য, এন এছ এছৰ নিয়মীয়া কাৰ্যপন্থা, বিভিন্ন ব্যতিক্ৰমী কাৰ্যপন্থাৰ বাবে ৰাষ্ট্ৰপতি বঁটা পাবলৈ সক্ষম হৈছে। নগাঁও কলেজ (অট'নমাচ)এ বিভিন্ন ধৰণৰ ব্যতিক্ৰমী কাৰ্যসূচী যেনে- অকলশৰীয়া আৰু পৰিত্যক্ত লোকক সহায় কৰিবৰ বাবে গঠন কৰা 'সাৰথিঃ দ্য টাইম বেংক', অসমীয়া গ্ৰন্থৰ প্ৰতি পঢ়ুৱৈক আকৰ্ষিত কৰিবলৈ গঠন কৰা 'মহিম বৰা ভ্ৰাম্যমাণ পুথিভঁড়াল'কে আদি কৰি বিভিন্ন সমাজ সেৱামূলক কাৰ্য নগাঁও জিলাত আৰু এন এছ এছ গোটে আকোঁৱালি লোৱাত ড° ভুৱন চন্দ্ৰ চুতীয়াৰ নেতৃত্বত সম্পন্ন কৰি আহিছে। নগাঁও বিশ্ববিদ্যালয়ৰ বাবে ই অতি গৌৰৱ। নগাঁও বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত সচিব ধ্ৰুৱজ্যোতি বৰুৱাৰ লগতে ড° ভুৱন চন্দ্ৰ চুতীয়াই নগাঁও বিশ্ববিদ্যালয়ৰ পৰিয়ালৰ হৈ এই বঁটা ২৯ ছেপ্টেম্বৰত ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতিৰ পৰা এই বঁটা গ্ৰহণ কৰিলে।



সত্যমেৱ জয়তে
অসম চৰকাৰ

# শ্ৰদ্ধাঞ্জলি আঁচনি

**বহিঃৰাজ্যত মৃত্যু হোৱা অসমৰ ব্যক্তিৰ নশ্বৰ দেহ মৰ্যাদা সহকাৰে স্বগৃহলৈ অনাৰ পদক্ষেপ**

আঁচনিখনৰ সবিশেষ
সেৱা সেতু
প' ৰ্টেলত উপলব্ধ



## বৈশিষ্ট্যসমূহ

- বহিঃৰাজ্যত বিশেষ পৰিস্থিতিত মৃত্যু হোৱা অসমৰ স্থায়ী বাসিন্দাৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য হ'ব
- আৰ্থিকভাৱে সবল শ্ৰেণী বা নিজাববীয়াকৈ ব্যৱস্থা কৰিব পৰা লোকৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য নহ'ব
- চিকিৎসাৰ বাবে বহিঃৰাজ্যলৈ যোৱা ৰোগীসকলক এই আঁচনিত সামৰি লোৱা নহ'ব
- আঁচনিখন ৰূপায়ণত গৃহ আৰু ৰাজনৈতিক বিভাগৰ তত্ত্বাৱধানত অসম আৰক্ষীয়ে সমন্বয় ৰক্ষা কৰিব

**আৰক্ষীৰ সৈতে যোগাযোগ কৰিবলৈ-**

৯১৮১০-১৪৮৮৮
১১২
০৩৬১-২৩৮১৫১১

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

Janasanyog RO no 2544/25/17-October-25

# নগাঁও প্ৰিণ্ট মিডিয়া এছ'চিয়েশ্বনৰ উদ্যোগত প্ৰয়াত সাংবাদিক শিৱ প্ৰসাদ বৰাৰ সোঁৱৰণত বঁটা প্ৰদান

## ছপা মাধ্যমে মানুহৰ মনোযোগ, স্মৃতি শক্তি বৃদ্ধি কৰে ঃ ড° হিতেশ ডেকা



**বিশেষ সংবাদদাতা, নগাঁও ঃ** মানৱ সভ্যতা জীয়াই থকালৈকে মানুহে কিতাপ পঢ়িব। সেয়ে ছপা মাধ্যমৰ গুৰুত্ব আজিও আছে। ছপা মাধ্যমে মানুহৰ মনোযোগ বৃদ্ধি কৰে, স্মৃতি শক্তি বৃদ্ধি কৰে আৰু আত্মবিশ্বাস গঢ়ি তোলে। এই মন্তব্য নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকাৰ। নগাঁও প্ৰিণ্ট মিডিয়া এছ'চিয়েশ্বনৰ উদ্যোগত নগাঁও প্ৰেছ ক্লাৱৰ সমাগৃহত প্ৰয়াত সাংবাদিক শিৱপ্ৰসাদ বৰাৰ সোঁৱৰণত অনুষ্ঠিত কৰা বটা প্ৰদান অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজন কৰা প্ৰয়াত দুই জেষ্ঠ সাংবাদিক প্ৰণৱ কুমাৰ বৰা আৰু বলেন বৰা স্মাৰক বক্তৃতা প্ৰদান কৰি ড° ডেকাই এই মন্তব্য কৰে। 'প্ৰযুক্তিৰ উত্তৰণত ছপা মাধ্যমৰ সম্ভাৱনা আৰু সংশয়' শীৰ্ষক বক্তৃতা প্ৰদান কৰি ড° ডেকাই লগতে কয় যে প্ৰচণ্ড জাতীয়তাবোধ আৰু জনজাগৰণৰ মাজেৰে আগবাঢ়ি গ'লেহে ছপা মাধ্যম শক্তিশালী হৈ থাকিব। বৰ্তমান সময়ত অসমত বাতৰি কাকতৰ প্ৰচলন হ্ৰাস হোৱাৰ কথা উল্লেখ কৰি তেওঁ কয় যে অসমত প্ৰায় ছয় লাখৰো অধিক চৰকাৰী কৰ্মচাৰী আছে যদিও সেই সকলৰ অধিকাংশই বাতৰি কাকত নপঢ়ে। অসম আৰু কেৰেলাৰ জনসংখ্যা প্ৰায় সমান বুলি মন্তব্য কৰি ড° ডেকাই কয় যে কেৰেলাত 'মনোৰমা' নামৰ কাকতখনৰ প্ৰচলন ২০ লাখৰো অধিক। পশ্চিমবঙ্গত আনন্দ বজাৰ পত্ৰিকাৰ প্ৰচলনো ঈৰ্ষণীয়। ইয়াৰ মুল কাৰণ তেওঁলোকৰ প্ৰচণ্ড জাতীয়তাবোধ। জাতীয়তাবোধ থাকিলেহে ভাষা শক্তিশালী হ'ব। অসমত ইয়াৰ অভাৱ হৈছে। অসমৰ বিশ্ববিদ্যালয়-মহাবিদ্যালয়ৰ কৰ্মচাৰীৰ সংখ্যা ১০ হাজাৰ হ'ব। এই দহ হাজাৰ কৰ্মচাৰীৰ কেইজনে বাতৰি কাকত পঢ়ে বুলি তেওঁ প্ৰশ্ন কৰে। আমাৰ পৰিয়াল সমূহৰ ঘৰত কিমান আলোচনী থাকে প্ৰশ্ন কৰি ড° ডেকাই কয় ম'বাইল ফোনে মানৱ সমাজক অনিশ্চয়তাৰ দিশলৈ নি আছে। কাৰণ ম'বাইল আবিস্কাৰ কৰাজনেও আজি প্ৰস্তাৱ লগা হৈছে। ঘৰখনত ম'বাইল ফোনে কি ৰূপ লৈ আছে সেয়া সকলোৱে প্ৰত্যক্ষ কৰিছে। পৰিস্থিতি এনেকুৱা হৈছেগৈ যে আগৰ দৰে আজিৰ সমাজত ঘৰখনৰ সকলো সদস্যই একেলগে ভাতসাজ খাবলৈ সময় নোহোৱা হৈছে। সাংবাদিক সকলক বিবেক আৰু চিন্তাৰ নায়ক বুলি উল্লেখ কৰি তেওঁ কয় যে তেওঁলোকেই সমাজখন সঠিকভাৱে পৰিচালনা কৰাত সহায় কৰে। ডিজিটেল যুগতো ছপা মাধ্যমৰ ঐতিহাসিক গুৰুত্ব আছে। ছপা মাধ্যমৰ ভৱিষ্যত নিৰ্ভৰ কৰিব আমাৰ মাজত থকা প্ৰচণ্ড জাতীয়তাবোধ, জনজাগৰণ আৰু নৱপ্ৰজন্মৰ মাজত ইয়াৰ প্ৰতি থকা আগ্ৰহৰ ওপৰত। নগাঁও প্ৰিণ্ট মিডিয়া এছ'চিয়েশ্বনৰ সভাপতি কনক হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানৰ আদৰণি ভাষণ প্ৰদান কৰে এছ'চিয়েশ্বনৰ কাৰ্যকৰী সভাপতি হেমেন কুমাৰ দাসে আৰু উদ্যেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক চন্দন জ্যোতি বৰাই। অনুষ্ঠানত প্ৰয়াত শিৱ প্ৰসাদ বৰাৰ সোঁৱৰণত ৰূপহীহাটৰ অসমীয়া প্ৰতিদিনৰ জ্যেষ্ঠ সাংবাদিক খৰ্গেশ্বৰ বৰুৱাক বঁটা প্ৰদান কৰে নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাই। বঁটা প্ৰদান কৰি বিধায়ক শৰ্মাই বাতৰি কাকত আৰু কিতাপৰ লগত থকা ৪০ বছৰীয়া সংস্পৰ্শৰ কথা উল্লেখ কৰি কয় যে সাম্প্ৰতিক সময়ত বাতৰি কাকতৰ প্ৰচলন কিছু হ্ৰাস হৈছে। এসময়ত নগাঁৱত ৰ লাখৰো অধিক কাকত প্ৰচলন হৈছিল। কভিডকালীন সময়ৰ পৰাই কাকতৰ প্ৰচলন কমিবলৈ ধৰে। অৱশ্যে বাতৰি কাকত আৰু ছপা মাধ্যমৰ এতিয়াও গুৰুত্ব আছে। আজিকালি গ্ৰন্থমেলাত কিতাপৰ বিক্ৰী ভাল হোৱাৰ কথা উল্লেখ কৰি বিধায়ক গৰাকীয়ে কয় এইয়া আমাৰ সকলোৱে বাবে ইতিবাচক খবৰ। বৰ্তমানৰ চৰকাৰেও গ্ৰন্থ অধ্যয়নৰ প্ৰতি গুৰুত্ব দিছে। অনুষ্ঠানত অংশগ্ৰহণ কৰি জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই সাংবাদিকসকল সমাজৰ আগশাৰীৰ ব্যক্তি বুলি উল্লেখ কৰি কয় যে সংবাদ মাধ্যম শক্তিশালী হ'লেহে গণতন্ত্ৰ শক্তিশালী হ'ব। নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকীয়ে নগাঁৱৰ সাংবাদিক ক্ষেত্ৰখনৰ ইতিহাস ব্যাখ্যা কৰি কয় যে বৰ্তমান সময়ত বাতৰি কাকত পঢ়া লোকৰ সংখ্যা কমিছে। সংবাদ মাধ্যমে সদায় ইতিবাচক দৃষ্টিভংগী গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰি ড° বৰকটকীয়ে সাংবাদিকসকলক যোগাত্মক দৃষ্টিৰে আগবাঢ়ি যাবলৈ আহ্বান জনায়। উল্লেখ্য যে খৰ্গেশ্বৰ বৰুৱাক প্ৰদান কৰা বঁটাত আছে গামোচা, চেলেং, জাপি, শৰাই, স্মাৰক, সম্বৰ্ধনা পত্ৰ, নগদ ধন। বঁটা আগবঢ়াইছে প্ৰয়াত শিৱ প্ৰসাদ বৰাৰ পত্নী তৃষ্ণা বৰাই। অনুষ্ঠানৰ আৰম্ভণিতে জনদৰদী শিল্পী জুবিন গাৰ্গ আৰু নগাঁৱৰ চাৰিগৰাকী প্ৰয়াত জেষ্ঠ সাংবাদিক ক্ৰমে প্ৰণৱ কুমাৰ বৰা, বলেন বৰা, শিৱ প্ৰসাদ বৰা আৰু অখিল চন্দ্ৰ দাসৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ শুভাৰম্ভ কৰে নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকী, জ্যেষ্ঠ সাংবাদিক তথা অৱসৰপ্ৰাপ্ত অধ্যাপক নৱ কুমাৰ মহন্ত আৰু নগাঁও প্ৰেছ ক্লাৱৰ সভাপতি জীতেন বৰকটকীয়ে। লগতে তেওঁলোকে নগাঁও প্ৰিণ্ট মিডিয়া এছ'চিয়েশ্বনে প্ৰকাশ কৰা উল্লিখিত চাৰি সাংবাদিকৰ সংক্ষিপ্ত জীৱনী 'সশ্ৰদ্ধ' উন্মোচন কৰে। গাম্ভীৰ্যপুৰ্ণ অনুষ্ঠানত প্ৰয়াত সাংবাদিকৰ পৰিয়ালবৰ্গ, নগাঁৱৰ বিশিষ্ট ব্যক্তি আৰু সাংবাদিকসকল উপস্থিত থাকে।

# অস্তিত্বৰ সংকটৰ সন্মুখীন বিভিন্ন প্ৰকাৰৰ থলুৱা শস্য

## হাইব্ৰীডে অবাধে দখল কৰিছে অসমৰ বজাৰ

**জয়ন্ত মুদৈ, নগাঁও ঃ** সম্প্ৰতি অসমৰ বিভিন্ন প্ৰান্তৰ বজাৰত ক্ৰেতাই হওঁক বা বিক্ৰেতাই হওঁক সকলোৱে মাজত শুনিবলৈ পোৱা যায় দুটা শব্দ। এটা 'লোকেল' আৰু আনটো হৈছে 'হাইব্ৰীড'। ঘাইকৈ শাক-পাচলিৰ বজাৰত ক্ৰেতা আৰু বিক্ৰেতাৰ মুখত এই শব্দ দুটা অধিক পৰিমাণে উচ্চাৰিত হয়। কিন্তু আজিৰ পৰা কেইবছৰমান আগলৈকে এই চিনাকী শব্দ দুটাই ইমান প্ৰাধান্য পোৱা নাছিল। উল্লেখ্য, অসমৰ জলকীয়া আৰু তিতা কেৰেলাৰ লগতে জহা জাতীয় চাউলে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বেছ সমাদৰ অৰ্জন কৰিবলৈ সক্ষম হোৱাৰ সময়তে এনেদৰে বিভিন্ন শাক-পাচলিৰ উপৰি ধান, মাহ, সৰিয়হ, তিল, তিচি, মৰাপাট আদি নানা প্ৰকাৰৰ শস্যৰ আধুনিক সংস্কৰণ হাইবীড্ৰৰ প্ৰৱেশে থলুৱা শাক-পাচলি শস্যৰ প্ৰতি চৰম ভাবুকিৰ সৃষ্টি কৰিছে। মানৱ শৰীৰৰ শ্ৰীবৃদ্ধিত বিশেষ অৱিহণা নাথাকিলেও অথবা খাবলৈ স্বাদযুক্ত নহ'লেও ব্যৱসায়িক দৃষ্টিত বৰ্ণসংকৰ এই নতুন সঁচৰ উদ্ভাৱনে ক্ৰমান্বয়ে অসমৰ থলুৱা বিভিন্ন প্ৰজাতিৰ সঁচবোৰক একপ্ৰকাৰে বিলুপ্তিৰ দিশে ঠেলি পঠিয়াইছে। অথচ কিছুবছৰৰ আগলৈকে অসমৰ মাটি, পানী, বায়ুৰ সৈতে খাপ খাই পৰা নানা প্ৰজাতিৰ শাক-পাচলি, ফল-মূলকে ধৰি ধান, মাহ, আদি শস্যবোৰ কৃষকে অতি কম খৰছতে জৈৱিক আৰু পচন সাৰ প্ৰয়োগ কৰি উৎপাদন কৰিছিল। যিবোৰ সোৱাদযুক্ত হোৱাৰ সমান্তৰালকৈ দেহৰ বিভিন্ন অংগৰ বিকাশত প্ৰভূত বৰঙণি যোগোৱাটো সৰ্বজনবিদিত। পিছে শেহতীয়াভাৱে ৰাজ্যত দেখা পোৱা জনসংখ্যা বৃদ্ধি, বতৰৰ অস্বাভাৱিক পৰিৱৰ্তন, কৃষিভূমিৰ পৰিমাণ সংকুচিত হোৱা, কৃষিক্ষেত্ৰত আহি পৰা অত্যাধিক ব্যৱসায়িক প্ৰতিদ্বন্দ্বিতা আদি বিভিন্ন আনুষংগিক কাৰকৰ কৱলত পৰি বৈজ্ঞানিক নৱ উদ্ভাৱক হাইব্ৰীড সঁচক কৃষকসকলেও আকোঁৱালি ল'বলৈ বাধ্য হৈছে। এই হাইব্ৰীড সঁচবোৰ খুব কম সময়তে বাঢ়িবলৈ ধৰে আৰু থলুৱা শস্যৰ সঁচতকৈ সোনকালেই পুৰঠ হয়। তদুপৰি কষ্টও কম হয়। সেয়ে একেডৰা কৃষিভূমিতে কৃষকসকলে বছেৰেকত ৩-৪ বাৰ পৰ্যন্ত বিধে বিধে খেতি বিভিন্ন ৰাসায়নিক সাৰৰ বিজ্ঞানসন্মত প্ৰয়োগেৰে কৰিব পৰা হ'ল। আনহে নালাগে আজিৰ তাৰিখত কৃষিজীৱী লোকসকলে ময়নাগিৰি, ফুল পাখিৰি, মাল চিৰাজ আদিকে ধৰি দুই-তিনি বিধ থলুৱা ধানৰ বাহিৰে জয়া, লাচিত, ৰঞ্জিত, পংকজ, আই আৰ, ৰুক্মী, মালা আদি বৰ্ণসংকৰ প্ৰজাতিৰ ধানৰ খেতি অধিক পৰিমাণে কৰা দেখা যায়। যাৰ পৰিণতিত কৃষকসকলৰ এনে কাৰ্যৰ বাবেই কণী জহা, বৰা, বকুল বৰা, কাইটন শালি, পুথিয়া, জছোশালি, হৰিণ, দুদ কলম, কাজাল আদি থলুৱা প্ৰজাতিৰ ধানবোৰ আমাৰ মাজৰ পৰা সময়ৰ অগ্ৰগতিৰ লগে লগে কালৰ সোঁতত বিলীন হোৱাৰ উপক্ৰম ঘটিছে। পৰিতাপৰ বিষয় যে, কৃষক সমাজে একেডৰা মাটিতে অধিক উৎপাদনৰ উদ্দেশ্যে বৰ্তমান যিদৰে উন্নত জাতৰ হাইব্ৰীড বীজ ব্যৱহাৰ কৰিবলৈ লৈছে তালৈ লক্ষ্য কৰিলে সম্ভৱতঃ এটা সময়ত অসমৰ কৃষক ৰাইজে যে ভয়াৱহ সমস্যাৰ সন্মুখীন নহ'ব তাক নুই কৰিব নোৱাৰি। কাৰণ হাইব্ৰীডৰ ক্ষেত্ৰত অধিক ৰাসায়নিক সাৰ আৰু কীটনাশক দ্ৰব্য প্ৰয়োগেৰে এটা সময়ত স্বাভাৱিকতেই কৃষিভূমিৰ উৰ্বৰা শক্তি হ্ৰাস পেলোৱাত বহুখিনি অৱিহণা যোগাব আৰু পৰিৱৰ্তিত জলবায়ুৰ লগত পৰৱৰ্তী সময়ত খাপ খাব নোৱাৰি বৰ্তমানৰ তুলনাত হাইব্ৰীড সঁচৰ উৎপাদন যথেষ্ট পৰিমাণে কমি যোৱাটো নিশ্চিত। কিন্তু সেইসময়লৈ কৃষক সমাজে হয়তো থলুৱা বিভিন্ন শাক-পাচলি, ফল-মূল, ধান, মাহ, সৰিয়হ আদিৰ সঁচ বিচাৰি হাবাথুৰি খোৱাৰ দৰে পৰিস্থিতিৰ উদ্ভৱ হ'ব। হাইব্ৰীডক বাদ দি থলুৱা শস্যৰ খেতি কৰিবলৈ মন মেলিলেও থলুৱা শস্যৰ নাটনিত নিৰাশ হ'বলগীয়াত পৰিব কৃষকসকল। কোৱা বাহুল্য মাথোন, এনেদৰে ক্ৰমান্বয়ে হাইব্ৰীডে অবাধে ৰাজ্যৰ সৰ্বত্ৰ গ্ৰাস কৰি পেলোৱাত থলুৱা বিভিন্ন প্ৰকাৰৰ শস্যই অস্তিত্বৰ সংকটত পৰিছে যদিও থলুৱা প্ৰজাতিৰ শস্যৰ সংৰক্ষণৰ ক্ষেত্ৰত হ'লে কৃষক সমাজে গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হোৱা নাই। গতিকে, কৃষক সমাজৰ লগতে চৰকাৰেও ভৱিষ্যতৰ কথা ভাবি থলুৱা বিভিন্ন প্ৰজাতিৰ শস্যৰ উপযুক্ত সংৰক্ষণৰ ক্ষেত্ৰত কাৰ্যকৰী পদক্ষেপ গ্ৰহণৰ সময় আহি পৰিছে।

# বংশৰৰ সমাজ সেৱক তথা ৮৭ নং বংশৰ পঞ্চায়তৰ প্ৰাক্তন আঞ্চলিক সদস্য গৌতম বৈশ্যৰ দেহাৱসান



**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ বংশৰ নিৱাসী বিশিষ্ট সমাজ সংগঠক, ৮৭ নং বংশৰ গাওঁ পঞ্চায়তৰ প্ৰাক্তন আঞ্চলিক সদস্য গৌতম বৈশ্যৰ (৬৩) যোৱা ১৩ অক্টোবৰত নিজগৃহত মৃত্যু হয়। যোৱা ২৪ আগষ্টত বংশৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানত সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণ কৰি থাকোতে উচ্চৰক্তচাপৰ বাবে অসুস্থ হৈ চিকিৎসাধীন অৱস্থাত আছিল। বৃহত্তৰ বংশৰ অঞ্চলৰ এজন সমাজ হিতৈষী হিচাপে পৰিচিত ৮৭ নং বংশৰ গাঁও পঞ্চায়তৰ প্ৰাক্তন আঞ্চলিক সদস্য, সদৌ বংশৰ ৰঙালী বিহু সন্মিলন, সদৌ বংশৰ দামোদৰ সংঘৰ বিষয়ববীয়া, সদৌ বংশৰ ক্ৰীড়া সন্থাৰ উপ-সভাপতি, বংশৰ শংকৰদেৱ শিশু-বিদ্যা নিকেতনৰ উপসভাপতি, ঐতিহাসিক শ্ৰীশ্ৰী ভৃংগেশ্বৰ দেৱালয় পৰিচালনা সমিতি, সদৌ বংশৰ সাৰ্বজনীন শাৰদীয় শ্ৰীশ্ৰী দুৰ্গা পূজা সমিতি, বংশৰ দৌল উৎসৱ উদ্‌যাপন সমিতি আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। ৰাজনীতিৰ লগতে সমাজ জীৱনত বৃহত্তৰ বংশৰ অঞ্চলৰ দৰিদ্ৰজনৰ সাৰথি বুলি প্ৰসিদ্ধ আছিল গৌতম বৈশ্য। প্ৰতিটো বছৰৰ মাঘৰ বিহুত গৌতম বৈশ্য ই দৰিদ্ৰজনক মাছ বিলাই সহায় কৰিছিল। গৌতম বৈশ্যৰ মৃত্যুত বৃহত্তৰ বংশৰ অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত এক শোভাযাত্ৰা কৰি ঐতিহাসিক শ্ৰীশ্ৰী ভৃংগেশ্বৰ দেৱালয়ত, সদৌ বংশৰ সাৰ্বজনীন শাৰদীয় শ্ৰীশ্ৰী দুৰ্গা পূজা সমিতি, বংশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, সদৌ বংশৰ ৰঙালী বিহু সন্মিলন, সদৌ বংশৰ দামোদৰ সংঘ, সদৌ বংশৰ ক্ৰীড়া সন্থা, বংশৰ নাট্য সন্মিলন, বংশৰ শংকৰদেৱ শিশু বিদ্যা নিকেতন আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানলৈ নি শেষ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। গৌতম বৈশ্যৰ মৃত্যুত বৃহত্তৰ পূৱ বংশৰ মৌজাৰ সমাজ জীৱনৰ এক বৃহৎ ক্ষতি বুলি গণ্য কৰা হৈছে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ সহিতে দুগৰাকী জীয়ৰী, ভাই-ককাই বংশ কুটুম্বক ইহসংসাৰত এৰি থৈ যায়।

# অসমৰ জনপ্ৰিয় মঞ্চ অভিনেত্ৰী মৌচুমী লস্কৰৰ সৈতে এক অন্তৰংগ আলাপ



অসমৰ বিভিন্ন জনপ্ৰিয় ভ্ৰাম্যমাণ নাট্যদলত বলিষ্ঠ অভিনয় কৰা জনপ্ৰিয় অভিনেত্ৰী মৌচুমী লস্কৰৰ সৈতে ম'বাইল ফোন যোগে হোৱা এক অন্তৰংগ আলাপৰ সম্পাদিত ৰূপ পাঠকৰ বাবে আগবঢ়োৱা হ'ল ঃ

**■ অসমৰভ্ৰাম্যমাণনাট্যদললৈআপোনাৰপ্ৰৱেশ কেনেকৈ হৈছিল ?**

**মৌচুমী লস্কৰ ঃ** মই ২০১৩ চনত প্ৰথম ভ্ৰাম্যমাণ নাট্যদল ৰূপৰাজ থিয়েটাৰলৈ গৈছিলোঁ।

**■ অভিনয় জগতলৈ আহোঁতে আপোনাৰ পিতৃ-মাতৃৰ অৰিহণা নিশ্চয় যথেষ্ট আছে। আপোনাৰ পিতৃ-মাতৃৰ বিষয়ে অলপ কওঁকচোন ?**

**মৌচুমী লস্কৰ ঃ** মোৰ দেউতাৰ নাম স্বৰ্গীয় ভাৰত লস্কৰ আৰু মাৰ নাম শ্ৰীমতী মামনি লস্কৰ। তেওঁলোকৰ আশীৰ্বাদতেই ইমান বছৰে মই অভিনয় কৰি আছোঁ।

**■ সম্প্ৰতি নতুন প্ৰজন্মৰ কোনবোৰ কথাই আপোনাক চিন্তিত কৰে ?**

**মৌচুমী লস্কৰ ঃ** নতুন প্ৰজন্মৰ মাজত জ্যেষ্ঠজনৰ প্ৰতি শ্ৰদ্ধা ভক্তিটো কমি আহিছে। এই শ্ৰদ্ধা ভক্তি বস্তুটো দ্ৰুত গতিত নতুন প্ৰজন্মৰ পৰা আঁতৰি গৈছে ফলত সমাজখন কোন দিশে গতি কৰিব সেইটো ধৰা টান হৈ পৰিব।

**■ আপোনাৰ অসাধাৰণ অভিনয় প্ৰতিভাৰ বাদে সাহিত্য, সংগীত বা অন্য কোনো বিষয়ত আপোনাৰ ৰুচি আছে নেকি ?**

**মৌচুমী লস্কৰ ঃ** বৰ্তমান মই অভিনয়ৰ লগত জড়িত। অভিনয়ৰ লগত সৰুৰে পৰা জড়িত। ২০২৫ চনলৈকে মই ভ্ৰাম্যমাণৰ লগতে জড়িত।

**■ অকল শিক্ষা আৰু সংস্কৃতিয়ে এটা জাতিৰ উত্তৰণৰ একমাত্ৰ পথ বুলি ভাবে নেকি ?**

**মৌচুমী লস্কৰ ঃ** হয় ভাবো।

**■ প্ৰত্যেক অভিনেত্ৰীৰএক নিজস্বঅভিনয়ষ্টাইল থাকে। আপোনাৰ অভিনয়ত আপুনি কোনটো ষ্টাইল লক্ষ্য কৰে ?**

**মৌচুমী লস্কৰ ঃ** অভিনয় ষ্টাইল বুলি ক'লে আমাৰ তেনে কোনো অভিনয় ষ্টাইল নাথাকে (হাঁহি)। অভিনয়ত আমাক যি কৰিবলৈ দিয়া হয় সেয়া কৰিব পাৰিব লাগে। মোৰ তেনে কোনো ষ্টাইল নাই যে মই কেৱল কমেডিহে কৰিব পাৰো বা ট্ৰেজেদীহে কৰিব পাৰোঁ। মই বৰ্তমানলৈকে ট্ৰেজেদীও কৰিছোঁ, কমেডিও কৰিছোঁ। যেনেকৈ নাট্যকাৰে যি চৰিত্ৰত বিচাৰিছে তেনেকৈয়ে সকলো চৰিত্ৰত মই অভিনয় কৰি আহিছোঁ। মোৰ নিজা তেনে কোনো অভিনয় ষ্টাইল নাই।

**■ অভিনেত্ৰী নোহোৱা হ'লে কোনটো পেছা বৃত্তি হিচাপে ল'লেহেঁতেন ?**

**মৌচুমী লস্কৰ ঃ** মই পঢ়াই ভাল পাওঁ। প্ৰাইভেটকৈ মই শিক্ষকতাও কৰিছোঁ। যদি মই অভিনেত্ৰী নহ'লোঁহেঁতেন তেতিয়াহ'লে হয়তো শিক্ষয়ত্ৰীয়েই হ'লোহেঁতেন।

**■ নতুন প্ৰজন্মৰ যিসকলে অভিনয়ৰ ক্ষেত্ৰত আগবাঢ়ি আহিছে তেওঁলোকক আপুনি কি পৰামৰ্শ দিব বিচাৰে ?**

**মৌচুমী লস্কৰ ঃ** মই তেওঁলোকক এটাই ক'ব বিচাৰোঁ যে ৰাইজৰ প্ৰতি গুৰুত্ব, শ্ৰদ্ধা ভক্তিটো ৰখা অতি প্ৰয়োজন আৰু লগতে নিজৰ একাগ্ৰতা, পৰিশ্ৰম সেইখিনি খুবেই জৰুৰী। নিজৰ লক্ষ্য স্থিৰ কৰি আগুৱাই যাওঁক।

**■ ভ্ৰাম্যমাণ থিয়েটাৰত নতুন নাট্যকাৰৰ নাটক লোৱাৰ কথাটোত আপুনি গুৰুত্ব আৰোপ কৰেনে ?**

**মৌচুমী লস্কৰ ঃ** হয় কৰো। কিন্তু এইখিনিতে এটা প্ৰশ্ন উঠে যে নতুন নাট্যকাৰে এইখিনিও চাব লাগিব যে ভ্ৰাম্যমাণত নাটক দিলে কেইবাটাও দিশ থাকে সেই দিশসমূহ চাব লাগিব। এই দিশসমূহ চাই যদি নাট্যকাৰে নাটকখন সম্পূৰ্ণ কৰে তেতিয়াহ'লে ভাল। কাৰণ আমাৰ ভ্ৰাম্যমাণৰ নাটকসমূহ চিন Wise যায়। গতিকে প্ৰথম দৃশ্যটোৰ লগত দ্বিতীয় দৃশ্যটোৰ সংযোগ থাকে। Timing ৰ কথাটো লক্ষ্য কৰি এটা চৰিত্ৰ কিমান সময়ত ওলাব সোমাব আৰু Next দৃশ্যৰ বাবে তেওঁ সেই চৰিত্ৰটোত কিমান সময় পাইছে Timing খিনিৰ দিশসমূহ চাই নাটকখন ৰচনা কৰিব লাগে।

**■ আপোনাৰ প্ৰিয় খাদ্য ?**

**মৌচুমী লস্কৰ ঃ** মোৰ প্ৰিয় খাদ্য ৰুটি (হাঁহি)।

**■ আপোনাৰ প্ৰিয় ৰং ?**

**মৌচুমী লস্কৰ ঃ** মোৰ প্ৰিয় ৰং গুলপীয়া।

**■ আপোনাৰ হিন্দী ছবি জগতৰ প্ৰিয় অভিনেতা-অভিনেত্ৰী কোন আৰু অসমীয়া ছবি জগতৰ প্ৰিয় অভিনেতা-অভিনেত্ৰী কোন ?**

**মৌচুমী লস্কৰ ঃ** হিন্দী ছবি জগতৰ প্ৰিয় অভিনেতা ঋত্বিক ৰোশন আৰু অভিনেত্ৰী দীপিকা পাডুকন। অসমীয়া ছবি জগতৰ প্ৰিয় অভিনেতা ৰবি শৰ্মাক ভাল পাওঁ আৰু অভিনেত্ৰী চেতনা বাইদেউ।

**■ মঞ্চত অভিনয় কৰা সংলাপৰ ভিতৰত আপোনাৰ প্ৰিয় সংলাপ কোনটো ?**

**মৌচুমী লস্কৰ ঃ** মই অভিনয় কৰা ইতিহাস থিয়েটাৰৰ 'ভুল নুবুজিবা ভুপেন দা।' নাটকখনৰ সকলো সংলাপেই মোৰ প্ৰিয়।

**■ আপোনাৰ আদৰ্শ ব্যক্তি ?**

**মৌচুমী লস্কৰ ঃ** মোৰ আদৰ্শ ব্যক্তি মোৰ দেউতা।

**■ জীৱন সম্পৰ্কে আপোনাৰ অভিমত ?**

**মৌচুমী লস্কৰ ঃ** জীৱনটো বহুত জটিল আৰু জীৱনটো বহুত সহজো। যদি সহজকৈ লয় তেতিয়াহ'লে জীৱনটো সহজে পাৰ কৰিব পাৰি আৰু যদি জীৱনটো জটিল কৰি লয় তেতিয়াহ'লে জটিলতাৰে জীৱনটো পাৰ কৰিব লাগিব। জটিলতাৰে মাজেৰে পাৰ কৰিলে জীৱনটো বহুত কষ্টকৰ হয়। গতিকে কষ্টখিনি নিজে সহিব লাগিব আৰু তাৰবাবে ভুক্তভোগী নিজে।

*সাক্ষাৎকাৰ গ্ৰহণ কৰোতা*


**কুলদীপ শইকীয়া**
ৰত্নপুৰ, পলিৰোড
(কেন্দ্ৰীয় বিদ্যালয়ৰ সন্মুখত) নগাঁও
**ম'বাইল ঃ** ৮৪৭৪০-৯৩১৬৮

# ডিজিটেল লাইব্ৰেৰীৰ উন্মোচন

**মৃদুস্মিতা শৰ্মা, বোকাখাত ঃ** ইং ১২-১০-২০২৫ তাৰিখ দেওবাৰ, সন্ধিয়া ৭ বজাত, ত্ৰাতৃ এপত উপলব্ধ Malabikaz Library ৰ উন্মোচনী অনুষ্ঠানটো গুগল মিটৰ জৰিয়তে হোৱা এক আটক ধুনীয়া অনুষ্ঠানত সফলতাৰে সম্পূৰ্ণ কৰা হয়। ডিজিটেল শিক্ষাৰ সম্প্ৰসাৰণ আৰু জ্ঞানৰ সহজলভ্যৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হয় এই অনুষ্ঠানটো। সুলেখিকা, কবি, সাহিত্যিক মালবিকা শৰ্মাৰ ব্যক্তিগত ডিজিটেল লাইব্ৰেৰী "Malabikaz Library" ৰ উন্মোচক হিচাপে সভাৰ মুখ্য অতিথিৰূপে আসন গ্ৰহণ কৰে ভট্টদেৱ বিশ্ববিদ্যালয়ৰ সন্মানীয় উপাচাৰ্য ড° ধনপতি ডেকাই। তেখেতে ত্ৰাতৃ এপৰ উদ্ভাৱক ত্ৰিদীপ বৰুৱা আৰু মালবিকা শৰ্মাক ধন্যবাদ জনাই আজিৰ যুগত ডিজিটেল লাইব্ৰেৰীৰ উপকাৰিতাৰ বিষয়ে সকলোকে সজাগ কৰে। অনুষ্ঠানত দিয়া ভাষণত তেওঁ কয় যে ডিজিটেল পুথিভঁৰাল বৰ্তমান যুগত জ্ঞান আহৰণৰ এক শক্তিশালী মাধ্যম আৰু ই সকলো শ্ৰেণীৰ লোকৰ বাবে উপকাৰী হ'ব। মালবিকা শৰ্মাই নৱজাগৰণৰ দৰেই আমাৰ সমাজত নতুনকৈ আৰম্ভ কৰা এনে ধৰণৰ চিন্তাধাৰাক ভাষা সাহিত্যৰ ক্ষেত্ৰত যোগাযোগৰ সেতুস্বৰূপ বুলি উল্লেখ কৰে। শিক্ষা, সাহিত্য, আৰু প্ৰযুক্তি আৰু গণমাধ্যমৰ বহু প্ৰতিষ্ঠিত আৰু সন্মানীয় ব্যক্তিয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰি তেওঁলোকৰ মূল্যবান ভাষণ প্ৰদান কৰে। হাৱাঘাট কলেজৰ সন্মানীয় অধ্যক্ষ ড° মন্টু কুমাৰ দাস, আগিয়া কলেজৰ সন্মানীয় অধ্যক্ষ ড° উৎপল দাস, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী সুৱৰ্ণ শইকীয়া বৰদলৈ, বটদ্ৰৱা কলেজৰ অধ্যাপক ড° ত্ৰিদীৱ গোস্বামী, কটন বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ধ্ৰুৱজ্যোতি দাস, সুদূৰ কম্বোডিয়াৰ পৰা কামেড ইউনিভাৰ্চিটিৰ অধ্যাপক ড° তাপস ৰঞ্জন দাস, সুদূৰ কুৱেইটৰ পৰা অসম সাহিত্য সভাৰ শাখাৰ উপসভাপতি সন্মানীয়া মিতালী গোস্বামী, বিজনী গোস্বামী, টিহু কলেজৰ অধ্যাপক হেমেন ৰাজবংশী, ড° ভুপেন হাজৰিকা ৰিজিঅনেল ফিল্ম এণ্ড টেলিভিচনৰ অধ্যাপক ফাৰুক ইকবাল, বিশিষ্ট লেখক ৰূপম দত্ত, সামাজিক মাধ্যমত অতি জনপ্ৰিয় তথা সুলেখক ত্ৰিনয়ন হেণ্ডিক, বিশিষ্ট লেখক আৰমান হাজৰিকা, চিনিয়ৰ জাৰ্নালিষ্ট তথা পৰিৱেশবিদ অপূৰ্ব বল্লভ গোস্বামী, মুম্বাইৰ পৰা অসম সাহিত্য সভাৰ শাখাৰ সম্পাদক দীক্ষা খাটনিয়াৰ আৰু দেৱীকা বৰপুজাৰী, বোকাখাতৰ পৰা 'উন্মাদ' গ্ৰুপৰ মুখ্য সম্পাদক মৃদুস্মিতা শৰ্মাৰ লগতে আন সকলো বিশিষ্ট ব্যক্তিৰ উপস্থিতিয়ে অনুষ্ঠানটোক এক বিশেষ মৰ্যাদা প্ৰদান কৰে। ত্ৰাতৃ মোবাইল এপ আৰু ডিজিটেল লাইব্ৰেৰীৰ বিষয়ে বিতংভাৱে ব্যাখ্যা কৰাৰ লগতে এপ স্ক্ৰীণ শ্বেয়াৰিঙৰ জৰিয়তে লাইব্ৰেৰীৰ বিভিন্ন বৈশিষ্ট্য অনুষ্ঠানত প্ৰদৰ্শন কৰে ত্ৰিদীপ বৰুৱাই। সভাখন আৰম্ভণীৰপৰা শেষলৈ সুন্দৰকৈ পৰিচালনা কৰে সুলেখিকা মণি গোস্বামীয়ে। বসন্তৰ মঞ্চত হোৱা এই অনুষ্ঠানটো কাৰিকৰী দলৰ বিশেষজ্ঞতাৰ সুন্দৰকৈ পৰিচালিত হৈছিল। পাপৰি দেৱী, জেউতিশিখা দাস, দিশান্ত পৰাশৰ, অপূৰ্ব পাঠক, সীমান্ত বৰচেতিয়া, গৌতম বায়ন, মিন্টু বৈশ্য, সবিতা ৰায়, তানিয়া মধুকল্যাৰ সহায় আৰু সহযোগ আদৰণীয়। ডিজিটেল পুথিভঁৰালৰ এই ভাৰ্চুৱেল উন্মোচনী অনুষ্ঠানটো আছিল এক সফল আৰু উল্লেখযোগ্য অনুষ্ঠান। প্ৰযুক্তিৰ জৰিয়তে ভৌগোলিক দূৰত্ব অতিক্ৰম কৰি সকলোৰে একত্ৰিত হৈ শিক্ষা আৰু জ্ঞানৰ এক নতুন অধ্যায় আৰম্ভ কৰিলে। বিশিষ্ট অতিথিৰ উপস্থিতিয়ে অনুষ্ঠানটোক অধিক মৰ্যাদাপূৰ্ণ কৰি তুলিছিল।

# জুবিন দাক ন্যায় লাগে

**■ সমুজ্জ্বল ডেকা,** ৰঙিয়া



জুবিন মানেই তৰোৱাল। তৰোৱালৰ নিচিনা শক্তি সম্পন্ন অসমীয়াৰ হিয়াৰ আমঠু জুবিন দাই ২০২৫ বৰ্ষৰ ১৯ চেপ্টেম্বৰ, ছিংগাপুৰত মৃত্যুবৰণ কৰিলে। তেখেতৰ এই আকস্মিক চিৰবিদায় লোৱাৰ খবৰে সমগ্ৰ অসম তথা ভাৰতৰ জনতাৰ অশ্ৰু নিগৰাইছে। কাৰণ জুবিন দাৰ গীত, চিনেমা আৰু ৰসাল কথাই সকলোৰে হৃদয় স্পৰ্শ কৰি গৈছিল। ৰাতিপুৱা শুই উঠি তেখেতৰ কণ্ঠত নিগৰা বৰগীত, লোকগীত তথা বিভিন্ন ভক্তিমূলক গীত শুনাৰ লগতে বহাগ বা বসন্ত কালত 'অই নাহৰ ফুলাম বতৰ', 'জানমণি' আদি বিহু গীতৰ প্ৰচলন। শাওন মাহত 'মহাদেৱ আহিছে ডম্বৰু বজাইছে', শৰৎ কালত 'মা দুৰ্গা মহামায়া' ইত্যাদি ভিন্ন সময়ৰ লগত মিলাই গোৱা গানে প্ৰতিজন মানুহৰে বুকুৰ মাজত বিশেষ স্থান দখল কৰিবলৈ সক্ষম হৈছে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গক বহুতে ভগৱান বুলি বিশ্বাস কৰে। সঁচাকৈ তেখেত এজন মহাদেৱ শিৱৰ নিচিনা মাহাত্ম্য থকা ব্যক্তি। কিন্তু জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত দ্ৰুত কৰা আৰু শীঘ্ৰে ন্যায় লাভৰ দাবী কৰাৰ বিপৰীতে ৰাজনৈতিক দলসমূহে তৰল ৰাজনীতিতহে ব্যস্ত হৈ পৰিছে। কোনোবাই জুবিন গাৰ্গক লৈ নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ সপোন দেখিছে, আন কোনোবাই এইবোৰৰ মাজতো নিজৰ সফলতা বিচাৰি পাইছে। এনে হ'লে জুবিন গাৰ্গৰ ন্যায় লাভৰ প্ৰক্ৰিয়া সুদূৰ পৰাহত হ'ব। সংবেদনশীল অসমীয়া সমাজৰ বাবে ইয়াতকৈ দুৰ্ভাগ্যজনক আৰু একো নহ'ব।

**ম'বাইল ঃ** ৭৫৭৮৮-৮০৯৩৩

# উৰিয়া গাঁৱত শিল্পী জুবিন গাৰ্গৰ স্মৃতিচাৰণ আৰু মাহেকীয়া আদ্যশ্ৰাদ্ধ অনুষ্ঠানৰ আয়োজন

**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ উৰিয়া গাঁও আঞ্চলিক যুৱক বৃন্দৰ উদ্যোগত আৰু অঞ্চলটোৰ সমূহ ৰাইজৰ সহযোগত অহা ১৯ অক্টোবৰত উৰিয়া গাঁও খেলপথাৰত অসমবাসীৰ হিয়াৰ আমঠু, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত স্মৃতিচাৰণ আৰু মাহেকীয়া আদ্যশ্ৰাদ্ধ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। জানিব পৰা মতে সেইদিনা কাৰ্যসূচী অনুসৰি পুৱা নাহৰ পুলি ৰোপণ, জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, নাম প্ৰসংগ, কীৰ্তন পাঠ, দুপৰীয়া প্ৰসাদ বিতৰণ আৰু অন্ন স্পৰ্শৰ অন্তত দিহানাম পৰিৱেশন কৰা হ'ব। সন্ধ্যা বন্তি প্ৰজ্বলন, সমূহীয়া প্ৰাৰ্থনা আৰু সমবেত কণ্ঠত 'মায়াবিনী' শীৰ্ষক কালজয়ী গীতটো পৰিৱেশন কৰা হ'ব। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি জনকণ্ঠ জুবিন গাৰ্গৰ স্মৃতিত এখন স্মৃতিগ্ৰন্থ প্ৰকাশ কৰা হ'ব। উক্ত অনুষ্ঠানলৈ বিশিষ্ট কণ্ঠশিল্পী কৃষ্ণমণি নাথ, নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, জনপ্ৰিয় অভিনেতা যতীন বৰা, নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মা, নগাঁও জিলাৰ আৰক্ষী অধীক্ষক স্বপ্নীল ডেকা, বিশিষ্ট বাঁহীবাদক প্ৰাঞ্জল বৰা আদিক আমন্ত্ৰণ জনোৱা হ'ব বুলি আয়োজকসকলে জানিবলৈ দিছে।

কাতি বিহু ও দীপাৱলীৰ শুভেচ্ছাৰে...

অসমবাসীৰ লগতে সমগ্ৰ নগাঁওবাসীক কাতি বিহু আৰু পোহৰৰ উৎসৱ দীপাৱলীৰ হৈ মোৰ ফালৰ পৰা আন্তৰিক হিয়াভৰা শুভেচ্ছা জনালোঁ।





ৰঞ্জিত বৰা
সভাপতি, যুৱ নেতা, বৰমপুৰ ব্লক কংগ্ৰেছ কমিটি

## জুবিন দা জনতাৰ প্ৰাণত

**মামণি চুতীয়া গগৈ**

সঁচাকৈয়ে গ'লাগৈ নেকি জুবিন দা
কোনোবা এক অজান দেশলৈ
য'ত এখনি শান্তিৰ নিজৰা
বৈ আছে কুলু কুলুকৈ
পাৰিছা জানো থাকিব তুমি
আমাক এৰি, গৰিমা বৌক এৰি
তোমাৰ নশ্বৰ শৰীৰটো
চন্দন কাঠৰ ধোঁৱাৰ সৈতে
অগ্নিক সাৰথি কৰি বিলীন
হে পৱিব বতাহৰ সতে
দিন-ৰাতি একাকাৰ কৰি
লাখ লাখ জনতাই
চকুপানী টুকি টুকি
আৱৰি ধৰিছে
তোমাৰ নশ্বৰ শৰীৰটো
দেহৰ ভৰসা নাই বুলি
তুমি গীত গাইছিলা
কিয় ভৰসা নাছিল যদি
সাগৰত নামিছিলা
সাঁতুৰিব পাৰি বুলি
সাগৰ জানো সাঁতোৰে বুলি
তুমি গীত গায়
কিয় তুমি সাঁতুৰিলা সাগৰত
নিজানৰ গান মোৰ শেষ হ'ব তোমাৰ বুকুত
তুমি গীত গায় সঁচাকৈয়ে নিজান
মহাসাগৰত তুমি শুই পৰিলা
তুমি আজি অজান দেশলৈ
আঁতৰি গ'লা যদিও
জনতাৰ শিৰে শিৰে
তুমি বৈ থাকিবা সদায়
পুষ্পসজ্জিত বাহনত তুমি চিৰনিদ্ৰাত
চোৱা তুমি তোমাৰ চৌপাশে
হাজাৰ হাজাৰ জনতা
উচুপি উচুপি আগুৰি ধৰিছে
অসমী আইৰ কোলাত
তুমি সদায় চিৰসেউজ জ্যোতিস্মান
জনতাই গায় যাব তোমাৰেই গীত।

## প্ৰভ্ৰষ্ট

**জ্যোতিস্মিতা বৰা**

সময়ৰ কোৰাল সোঁতত সাঁতুৰি
ভৱিষ্যতৰ সন্ধানত
জনমলগ্নৰ পৰা দেখি অহা
সেই নিপতিত বাটেৰেই বাট বোল
মই সেই বাটেৰেই বাট মেলিছিলো আই
যি বাটেৰে আনজন যায়,
তয়ো গৈছিলি,
তই কোৰাৰ দৰে সময়বোৰ একে নাছিল
আমি প্ৰতিযোগিতামুখী হৈ
আন্ধাৰৰ মাজেৰেই খেপিয়াই ফুৰিছিলো
স্বাধীনতাৰ একাজলি অশ্ৰু।
কিন্তু কি জান আই।
স্বাধীনতাৰ পতন হ'ল
সততা বিলীন হ'ল বিস্মৃতিৰ গৰ্ভত।
মাথোঁ আমিবোৰে সপোন খেদি গৈ
জঁপিয়াই পৰিলোঁ বৈতৰণীৰ সিপাৰে
য'ত মহামানৱতাক উপহাস কৰি
তদ্ৰূপ মগজুৰে কিৰিলি পাৰে।
নিজক স্বাধীন কৰিব হে মই
নিজস্বতা হেৰুৱালোঁ আই,
কেনেকৈ জানিছিলোঁ,
যে স্বাধীনতাৰ বিনিময়ত সেই বন্য শ্বাপদবোৰে
খহাই নিব মোৰ দেহৰ টুকুৰা টুকুৰ তেজ,
কেনেকৈ জানো,
যে প্ৰত্যেকজনী ছোৱালী নাৰী হোৱা পৰ্যন্ত
এই যে বাট সহজ নহয়,
তই কিয় বুজাই নিদিলি আই?
কিয় আজিৰ এই সমাজে ভৱিষ্যত প্ৰজন্মৰ পতনত
কিৰিলি পাৰি অট্টাহাস্য কৰিছে,
হাঁহি ল,
এইয়াই হয়তো তহঁতৰ শেষ চিকাৰ
এইয়া হয়তো শেষ সমাজ।

ম'বাইল : ৮৪৭৪৮-৯৪৫৩৬

## নাৰী এটি জাগ্ৰত শক্তি

**অনামিকা (সংগীতা) কলিতা**
শুৱালকুছি

ফুলে ফুলে ভ্ৰমি তৰপে তৰপে শিলত খুন্দি
বিধাতাৰ হাততেই সৃষ্টি এটি জীৱৰ নাম নাৰী।
নিৰাশাক আশালৈ ৰূপান্তৰিত কৰি
উৰ্বৰা উদং পথাৰত বিৰামহীনভাৱে
নিজৰ সমস্ত শক্তি ঢালি শস্যৰ বীজ গজালি
মেলাব পৰা শক্তি আছে নাৰীৰ।
যন্ত্ৰণাত হৃদয়খন বিকল হ'লেও পৰিয়ালৰ দায়িত্ব
মৌনতাৰে পালন কৰি যায়।
নদী আৰু নাৰী এটা আনটোৰ পৰিপূৰক
নদীৰ বুকুত অজস্ৰ মলিনতা বৈ থাকে নিৰৱধি
তথাপিও নদী কলুষিত নহয়।
ঠিক তেনেকৈ অগ্নিৰ দাবানলত নাৰী
খোজকাঢ়ি গৈ থাকে-
লাঞ্ছিত-বঞ্চিত অপমানিত
নিষ্পেষিত হৈও নিজৰ লক্ষ্যত আগবাঢ়ে,
তথাপিও যেন থাকে অপৰিসীম শক্তিৰ উৎস।

## চকুপানী

**বলিন বৰদলৈ**
আলামি, গোলাঘাট

পাৰভঙা সীমাহীন আনন্দ
বুকুত অন্তহীন দুখৰ বোজাত
তুমি ওলাই আহা স্বইচ্ছাৰে -
যি কান্দিবও নোৱাৰে
যি হাঁহিবও নোৱাৰে
যাৰ নিজৰ মাজতেই
চলি থাকে যুঁজ-বাগৰ
সি অতি ভয়ংকৰ
হ'ব পাৰে মৃত্যুৰো কাৰণ,
কান্দি কান্দি চকুপানী ওলালে
বুকুত বহি থকা দুখৰ শিলচটাৰ
অলপ হ'লেও ওজন কমি যায়
কিন্তু যান্ত্ৰিকতাৰে ভৰা ধূসৰ পৃথিৱীত
সঁচা চকুপানীৰ জানো মূল্য আছে?

ম'বাইল : ৯৪০১৮-৭৬৭২৮



## জুবিন

**ৰঞ্জন বৰ্মন,** লখিমপুৰ

অগ্নিযুগৰ এটি ফিৰিঙতিৰ নাম - জুবিন
অন্যায়ৰ বিৰুদ্ধে গৰজি উঠা এটি বজ্ৰ কণ্ঠৰ নাম - জুবিন
ৰাতিৰ আন্ধাৰবোৰ গুৱাই পুব আকাশত উদিত
এটি ৰক্তিম সূৰ্যৰ নাম - জুবিন
মানুহৰ ওঁঠে ওঁঠে বাজি থকা এটি গীতৰ নাম - জুবিন
মানুহৰ হৃদয়ে হৃদয়ে বৈ থকা মানৱতাৰ এখন নৈৰ নাম - জুবিন
ৰ'দ বৰষুণ ধুমুহাটো হালি নপৰা এটি সত্বাৰ নাম - জুবিন
মাতৃকোলাৰ শিশুৰ অকৃত্ৰিম সৰলতাৰ নাম - জুবিন
পুৱাৰ ৰ'দে ধুই দিয়া ফুলৰ পবিত্ৰতাৰ নাম - জুবিন
আকাশতকৈ ওখ আৰু সাগৰতকৈও বিশাল
এখন হৃদয়ৰ নাম - জুবিন
অসহায় আৰ্তজনৰ বুকুৰ শেষকণ সাহসৰ নাম - জুবিন
মোৰ ৰক্ত ধমনিতো তুমি সুৰ এটি হৈ বাজি আছা
পুৱাৰ প্ৰাতঃভ্ৰমণত
আবেলিৰ চাহকাপত মূৰ্ত হৈ উঠিছা
ভুল নুবুজিবা জুবিন দা
আঙুলিৰ ফাঁকেৰে সৰি পৰা এই দুঃসময়ত
ফুল চন্দনেৰে বিদায় জনাব নোৱাৰো তোমাক।
ম'বাইল : ৯৬১৩৯-৬১৬১৫

## আহিন অহাৰ বাটে

**যমুনা দুলু বৈশ্য**
শুৱালকুছি

আহিনৰ আকাশত কহুঁৱা নাচিছে
অপৰূপ জেউতিৰ সমাহাৰ লৈ
সৌন্দৰ্য সৰ্পিল লানিমা সিঁচি
ঋতুৰ মধুৰ পৰশত
মন নাচে হেঁপাহেৰে।
হিমচেচা পুৱটিৰ
শৰৎ নিশাৰ সোণসেৰীয়া সময়ৰ
আহিন অহাৰ বাটে আহিবা
এবুকু হৃদয়ৰ স্মৃতিৰ
প্ৰণয়ৰ বাসনাৰ তলসৰা শেৱালিৰ
সুবাস লম বুটলি
আহিবা আহিনৰ বাটে।

## শ্ৰদ্ধাৰে নিবেদিছো তোমাক

**সীমা প্ৰভা গগৈ**
লখৰা

জীৱনৰ একা বেঁকা বাট,
শ্ৰদ্ধাৰে নিবেদিছো তোমাক
পল অনুপল সদায় কাষত ৰোৱা
শুভ্ৰ ডেউকা মেলি সবকে আশীৰ্বাদ কৰা
কি দি পূজিম, কি দি সোঁৱৰিম
সকলো শূন্যতাৰ নিমিত্ত মাথোঁ
আগবাঢ়ি যোৱাৰ সময় জানো
ৰ'ব কাৰোবাৰ বাবে,
আজি আবেলিৰ পোহৰে বৰকৈ
ৰিঙিয়াইছে
নিঃশব্দতাই বাট দেখুৱাইছে,
আৱেগ সামৰি যাবলৈ ওলোৱা পক্ষীটিয়ে বহু কথা
ব্যক্ত কৰিছে,
অন্তত এটাই কুশলতাৰ নিয়ৰ বিয়পাবা।

## বেপাৰ

**শতাব্দী শৰ্মা**
আমোলাপট্টি

ভেজাল খাদ্যত,
বৰবিহ ভাগ্যত,
ৰোগৰ তাণ্ডৱ,
জীৱন জান্তৱ।
সস্তীয়া বেপাৰৰ
চাইদ এফেক্ট ৰাইজৰ।
বেপাৰ বহি
টুপী গঢ়ি
মানুহক আভুৱা ভাৰি
সদায় কৰে বেপাৰ তাৰা-তাৰি।
ঘৃণনীয়, নিকৃষ্ট
জঘন্য পাপিষ্ঠ
মানুহৰো তেজ-মঙহৰ চলে দৰ-দাম
বাতৰিত জিলিকে উপমা, শিৰোনাম।
ম'বাইল : ৬৯০১১-৫২৪২৯

## সিদ্ধাৰ্থ মই জুবিনে কৈছোঁ

**বুলমণি বৰি**

সিদ্ধাৰ্থ তই বুজিব লাগিছিল
মোৰ কলিজাৰে লিখা গানবোৰ
মোৰ কণ্ঠৰে নিগৰা সুৰবোৰৰ ৰং
ৰঙা আছিল
আৰু তোৰ
হিচাপৰ চিয়াঁহীবোৰৰ ৰং
নীলা আছিল
ৰঙা নীলাতকৈ তীব্ৰ
মোৰ সুদীৰ্ঘ জীৱনৰ পৰিশ্ৰম
মানুহৰ বাবে
আৰু তোৰ বিলাসী উপাৰ্জন
চা-চা তোৰ হাতৰ তলুৱাৰ গৰম তেজবোৰ দেখোন
এতিয়া চেঁচা পৰি জঠৰ হৈছে
এটা সময় আছিল
মোৰ কাষলে অহা মানুহবোৰক তই
গতিয়াই দিছিলি
এতিয়াতো তোৰ কাষত কোনো নাই
দিনতে ছাগে ৰাতিৰ দৰে
আন্ধাৰ দেখিছ ন
ভয়ংকৰ শূণ্যতাত ডুবি
নিজৰ হাতকড়িৰ ৰছী নিজে ধৰি
নিসংগভাৱে খোজ কাঢ়িছ
পুলিচো নাই তোৰ কাষত
এতিয়া বাৰু তোৰ বুকুখন ঢকঢক কৰিছেনে
ঘামত ভিজিছেনে দেহ
শুকান পাতৰ দৰে কঁপিছেনে শৰীৰ
নে, নিজকে প্ৰতিমূৰ্তি যেন লাগিছে
সুদীৰ্ঘ জীৱনকালত দেখিছিলিনে
এনেকুৱা এটা ভয়ংকৰ সপোন
মোৰ চকুৰ পতা খোল খাই থাকে
জাতিটোৰ বাবে
আৰু তই
তই আকাশ আৰু মাটিলৈ নোচোৱাকৈ
সোণৰ ফ্ৰেমেৰে নিজক বান্ধি
ড্ৰয়িং ৰুমত বহিব খোজ
সঁচাই
দেশদ্ৰোহী অপৰাধীতকৈ তই
কোনো গুণে কম নহয় কিন্তু
হেৰৌ, আকাশ শূণ্য
মাটি শূণ্য
তেতিয়াহ'লে তোৰ কিয় ইমান লোলুপ
এতিয়া বাৰু তই তোৰ উন্নতি দেখিছনে
নে, তোৰ লগতে তোৰ পৰিয়ালটোৰ
জীৱন্তে মৃত্যু দেখিছ
এতিয়াতো তই
সন্মুখত যি দেখিছ তাকেই
মৰুভূমিৰ দৰে কুঁৱলী দেখিছ ন
মই যে তোক মোৰ প্ৰাণ বুলি ভাবিছিলোঁ অ
আৰু তই মোক প্ৰাণী বুলি ভাবিছিলি
এতিয়া তোক কি পানীয়ে
প্ৰাণ দিব ক'।
ম'বাইল : ৯৮৬৪৬-৮০৪৬৯

কাতি বিহু ও দীপাৱলীৰ শুভেচ্ছাৰে...
অসমবাসীৰ লগতে সমগ্ৰ নগাঁওবাসীক কাতি বিহু আৰু পোহৰৰ উৎসৱ দীপাৱলীৰ হৈ মোৰ ফালৰ পৰা আন্তৰিক হিয়াভৰা শুভেচ্ছা জনালোঁ।


প্ৰদ্যুত বৰদলৈ
সাংসদ, নগাঁও লোকসভা সমষ্টি

*প্ৰথম পৃষ্ঠাৰ পৰা*

## চিএম- ফ্লাইট আঁচনিৰ আনুষ্ঠানিক শুভাৰম্ভ মুখ্যমন্ত্ৰী

যে অসমৰ ছোৱালী ইমানেই মৰমীয়াল যে কেৰেলাৰ ছোৱালীতকৈ আমাৰ ছোৱালীয়ে বেছি ভালকৈ নাৰ্চিং কেয়াৰ কৰিব পাৰিব। অসমৰ ল'ৰাৰ বুদ্ধিমত্তা দেশৰ বহু ৰাজ্যৰ ল'ৰাতকৈ ভাল। চুবুৰীয়া দেশ নেপালৰ উদাহৰণ দাঙি ধৰি ড° শৰ্মাই কয় যে দেশত জাপানী ভাষা শিকি লাখ লাখ নেপালী যুৱক-যুৱতী জাপানলৈ গৈছে। ফলত নেপালৰ বৈদেশিক মুদ্ৰাৰ ভাণ্ডাৰ ক্ৰমশঃ বাঢ়ি আছে। তেওঁ কয় যে মানৱ সম্পদ আটাইতকৈ শ্ৰেষ্ঠ সম্পদ। অসমৰ মানৱ সম্পদক গোলকীয় মানৱ সম্পদলৈ ৰূপান্তৰ কৰিব পাৰিলে ৰাজ্যখনৰ পৰিৱৰ্তন হ'ব, যুৱক-যুৱতীসকলেও এটা মৰ্যাদাপূৰ্ণ জীৱন-যাপন কৰিব পাৰিব। অসমত নতুনকৈ চৰকাৰী চাকৰিত যোগদান কৰি এগৰাকী যুৱক বা যুৱতীয়ে সৰ্বাধিক ৪০ হাজাৰ টকাৰ দৰমহা পাব। কিন্তু জাপানত চাকৰিত যোগদান কৰিয়েই মাহে ১.৭৫ লাখৰ পৰা ২ লাখ টকালৈ দৰমহা পাব। ভাৰতীয় টকা জাপানী ইয়েনতকৈ শক্তিশালী হ'লে দৰমহাৰ পৰিমাণ ভাৰতীয় মুদ্ৰাৰ হিচাপত আৰু অধিক হ'ব।

জাপানত চাকৰি কৰিবলৈ যাবলৈ সংকোচ কৰিব নালাগে বুলি আহ্বান জনাই মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে জাপানত নৈতিকতা সবাতোকৈ গুৰুত্বপূৰ্ণ। জাপান হৈছে ভাৰতৰ সকলো সময়ৰ বন্ধু ৰাষ্ট্ৰ। নেতাজী সুভাষ চন্দ্ৰ বসুৰ দিনৰ পৰা নৰেন্দ্ৰ মোদীৰ দিনলৈ জাপানৰ সৈতে আমাৰ সম্পৰ্ক ভাল। দুয়োখন দেশৰ কোনো সংঘাত নাই। সাংস্কৃতিকভাৱেও জাপানৰ সৈতে অসম তথা উত্তৰ পূৰ্বাঞ্চল ওচৰ চপা। দুয়োখনৰ দেশৰ মানুহৰ মাজত পাৰস্পৰিক সন্মান আছে। ভাৰতত সূচনা হোৱা বৌদ্ধ ধৰ্ম বৃহৎ সংখ্যক জাপানী লোকে মানি চলে। জাপানত চাকৰি কৰিবলৈ গ'লে উত্তৰ পূৱত থকা যেনেই লাগিব বুলি তেওঁ কয়।

জাপানলৈ ভাৰতৰ পৰা যুৱক-যুৱতীক চাকৰি কৰিবলৈ প্ৰেৰণ কৰাৰ পটভূমি সন্দৰ্ভত মন্তব্য কৰি ড° শৰ্মাই কয় যে জাপানৰ মানুহৰ গড় আয়ুস ৪৮-৫০ বছৰ। জাপানৰ তুলনাত ভাৰত এখন যুৱ দেশ। ভাৰতৰ মানুহৰ গড় আয়ুস ২৮ বছৰ। অসমৰ মানুহৰ গড় আয়ুস ২২ বছৰ। অৰ্থাৎ দেশৰ আন ঠাইৰ তুলনাত অসমত অধিক যুৱক-যুৱতী আছে। জাপানত চাকৰি কৰিবলৈ বহু সংখ্যক যুৱক-যুৱতীৰ প্ৰয়োজন। আনহাতে, প্ৰায় ২৪০০ জাপানী কোম্পানী ভাৰতত আছে। এই কোম্পানীবোৰত কাম কৰিবলৈ বহু জাপানী লোক ভাৰতত বাস কৰে। জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ লগতো জাপানৰ কোম্পানী ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। জাপানৰ প্ৰধানমন্ত্ৰী আৰু ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাজত পৰৱৰ্তী পাঁচ বছৰত ভাৰতৰ পাঁচ লাখ যুৱক-যুৱতীক জাপানী ভাষা শিকাই জাপানত কৰ্ম সংস্থাপন দিয়াৰ বাবে এখন চুক্তি স্বাক্ষৰিত হৈছিল বুলি উল্লেখ কৰি তেওঁ কয় যে জাপানত কাম কৰিবলৈ আগ্ৰহী যুৱক-যুৱতীয়ে কেৱল জাপানী ভাষা জানিলেই যথেষ্ট। জাপানী ভাষা আয়ত্ত কৰা যুৱক-যুৱতীক জাপানত দক্ষতা অনুসৰি সংস্থাপনৰ বাবে উপযোগী কৰি গঢ়ি তোলা হ'ব। প্ৰথমে পাঁচ বছৰৰ বাবে তেওঁলোকক জাপানৰ ভিছা প্ৰদান কৰা হ'ব আৰু প্ৰয়োজন অনুসৰি ইয়াৰ ম্যাদ বৃদ্ধি কৰা হ'ব।

## কাকনো বুলিম ককা সকলোৰে দাঢ়ি-চুলি পকা

কেৱল আমেৰিকান ডলাৰ, প্ৰতিযোগিতা কোনে নিজকে শ্ৰেষ্ঠ অনুৰাগী বুলি জহাব পাৰে। মানি লৈছোঁ বহুতেই হয়তো নাজানে (ইমানকৈ সামাজিক মাধ্যমত সক্ৰিয় হৈ থকা সকলে জনাটো অৱশ্যে প্ৰয়োজনীয়) যে এইদৰে ভিডিঅ' প্ৰচাৰ কৰাটো এক অপৰাধ, ইও পাইৰেচিৰে অন্তৰ্গত। কিন্তু এই কামটো কৰা অধিকাংশয়েতো দেখাত খুবেই জনা-শুনা মানুহ। সুযোগ পালেই নিজকে বহুত জনা-শুনা মানুহ বুলি পৰিচয় দি অহা এই সকল লোকে কিয় এই কামটোত আগভাগ ল'লে। বাৰু মানি লৈছোঁ যে তেওঁলোকে এই বিষয়ে আগতে জনা নাছিল কাৰণ হস্তীৰো পিচলে পাৱ, সজ্জনৰো বুৰে নাও। কিন্তু যেতিয়া ছবিখনৰ পৰিচালক ৰাজেশ ভূএঞা ডাঙৰীয়াৰ লগতে বহুতো সচেতন লোকে এই ভুল সম্পৰ্কে সংবাদ মাধ্যম, সামাজিক মাধ্যমৰ যোগেদি আঙুলিয়াই দিলে তেতিয়াও কিন্তু ভুল কৰা সকলে নিজৰ ভুল স্বীকাৰ কৰি ক্ষমা খোজা দেখা নগ'ল। ক্ষমা খোজাটো দূৰৰ কথা তেওঁলোকৰ কোনো ধৰণৰ অপৰাধবোধ, অনুশোচনাও দেখা নগ'ল। বৰং আত্মপক্ষ সমৰ্থনত তেওঁলোকে নিজৰ ভুলটোকো শুদ্ধ প্ৰমাণিত কৰিবলৈহে চেষ্টা কৰা দেখা গ'ল। ভুল মানুহৰেই হয় আৰু ভুল স্বীকাৰ কৰা আৰু ক্ষমা খুজিব পৰাটোও এক মানৱীয় গুণ। কিন্তু এইসকল তথাকথিত জুবিন অনুৰাগীয়ে নিজৰ ভুল স্বীকাৰ কৰিবলৈ অপাৰগ। মুঠতে কাকনো বুলিম ককা সকলোৰে দাঢ়ি-চুলি পকা। এওঁলোক এটাতকৈ আনটো চৰা। আৰু এইসকলে নিজকে দাবী কৰে জুবিন অনুৰাগী, জুবিনপ্ৰেমী বুলি। প্ৰকৃত অনুৰাগীয়ে এনে কাম কেতিয়াও নকৰে। আপুনি, মই, আমি সকলোৰেই জুবিন গাৰ্গৰ অনুৰাগী গতিকে তেওঁৰ সৃষ্টিৰাজিক উচিত সন্মান জনোৱাটোও আমাৰ সকলোৰে দায়িত্ব।

**ম'বাইল ঃ** ৯৮৬৪১-৮৯৭৪৫

## ৩৭ সংখ্যক মৰিগাঁও জিলা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ মন্ত্ৰী

হৈছে। মন্ত্ৰীগৰাকীয়ে আৰু কয় যে নিয়োগৰ সুযোগ সৃষ্টি হৈছে আৰু স্থানীয় যুৱক-যুৱতীসকলে ক্ৰমান্বয়ে সংস্থাপনৰ নতুন পথ বিচাৰি পাইছে। অনুষ্ঠানত মৰিগাঁওৰ বিধায়ক ৰমাকান্ত দেউৰী, জিলা উপায়ুক্ত, জ্যেষ্ঠ আৰক্ষী অধীক্ষক, জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ দায়িত্ব লাভ কৰা বিশিষ্ট ভাস্কৰ্য শিল্পী বীৰেন্দ্ৰ প্ৰসাদ সিংহ, জ্যেষ্ঠ বিষয়াকে ধৰি কেইবাগৰাকীও বিশিষ্ট নাগৰিক উপস্থিত থাকে। ইয়াৰ পিছতে মন্ত্ৰীগৰাকীয়ে প্ৰায় ৬.৫৪ কোটি টকা ব্যয় সাপেক্ষে গোবৰ্ধন বজাৰৰ পৰা ঘোৰামাৰাজান—নলিনী কালি মন্দিৰলৈ পিএমজিএছৱাইৰ অধীনত নতুন আৰচিচি দলঙকে ধৰি ৩.০৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে।

## অসম আৰক্ষীৰ উপ-পৰিদৰ্শক হ'ল দৰিদ্ৰ পৰিয়ালৰ সন্তান

**জয়ন্ত মুদৈ, নগাঁও ঃ** একাগ্ৰতা, আত্মবিশ্বাস থাকিলে সফলতা লাভত কেতিয়াও হেঙাৰ হ'ব নোৱাৰে দৰিদ্ৰতা। আনকি, নিৰ্দিষ্ট লক্ষ্য আগত ৰাখি আগবাঢ়ি গ'লে বহু সংগ্ৰামৰ মাজেৰেও আকাংক্ষিত সফলতা লাভ কৰিব পাৰি। এই কথাকেই পুনৰবাৰ প্ৰমাণিত কৰিলে নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত ৰাইদঙীয়াৰ এটি দৰিদ্ৰ পৰিয়ালৰ এজন যুৱকে। কিয়নো, বৰ্তমান সময়ত আন বহু যুৱকৰ দৰে বিলাসিতাৰ সোৱাদ নোপোৱাৰ বিপৰীতে প্ৰতি ক্ষণতে দৰিদ্ৰতাৰ সৈতে মোকাবিলা কৰি অহা এই যুৱকজন এতিয়া হৈ পৰিল অসম আৰক্ষীৰ ছাব-ইন্সপেক্টৰ। অৰ্থাৎ অসম আৰক্ষীৰ উপ-পৰিদৰ্শক। এই যুৱকজন হৈছে ৰাইদঙীয়াৰ পহুকটা গাঁৱৰ দিন হাজিৰা কৰা প্ৰভাত বৰা আৰু জুলি বৰাৰ একমাত্ৰ পুত্ৰ বিনয় বৰা। আচলতে, দৰিদ্ৰ পৰিয়ালৰ এই যুৱকজন সোণৰ দৰে জিলিকি উঠিল ঘোষিত এডিআৰই পৰীক্ষাৰ ফলাফলত। এই নিযুক্তি পৰীক্ষাত সফলতা লাভ কৰাৰ বাবেই এইদৰে দৰিদ্ৰতাক নেওচি দিন হাজিৰা কৰা প্ৰভাত বৰাৰ পুত্ৰ বিনয় হৈ পৰিল অসম আৰক্ষীৰ উপ-পৰিদৰ্শক। সেয়ে এই খবৰ বিয়পি পৰাৰ পিছতেই আনন্দৰ ঢল বৈছে পহুকটা গাঁৱত। উৎফুল্লিত হৈ পৰিছে বিনয়ৰ দৰিদ্ৰ পিতৃ-মাতৃৰ লগতে গাঁওখনৰ ৰাইজ। উল্লেখ্য যে, এনেদৰে



অসম আৰক্ষীত নিযুক্তি লাভেৰে দিন হাজিৰা কৰা নিজৰ পিতৃৰ মুখত সাফল্যৰ হাঁহি বিৰিঙাই দিবলৈ সক্ষম হোৱা বিনয়ে অধ্যয়নৰ সমান্তৰালকৈ ৰাইদঙীয়া শংকৰ মাধৱ বিদ্যাপীঠত নামৰ এখন ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানত পাঠদান কৰি আহিছিল। তদুপৰি পিতৃক আৰ্থিকভাৱে সকাহ দিয়াৰ উদ্দেশ্যেই ঘৰুৱা টিউচনো কৰিছিল বিনয়ে। কাজেই, অতি মেধাসম্পন্ন যুৱকজনৰ এই সাফল্যৰ বাবেই এতিয়া তেওঁৰ ঘৰত উপস্থিত হৈ শিক্ষাগুৰুৰ লগতে শুভাকাংক্ষীসকলে আশীৰ্বাদ আৰু অভিনন্দন জ্ঞাপন কৰিছে। ইফালে পুত্ৰৰ এই সাফল্যৰ বাবে পিতৃ প্ৰভাত বৰা আৰু মাতৃ জুলি বৰাই মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰিছে।

## অতিপাত গৰমত আমি কি খোৱা

হয়। প্ৰকৃতাৰ্থত এইবোৰে ক্ষণিক স্বস্তি প্ৰদান কৰে যদিও ইয়াৰ ক্ষতিকাৰক প্ৰভাৱ স্বাস্থ্যৰ ক্ষেত্ৰত বাৰুকৈয়ে অকল্যাণকৰ। চিকিৎসক আৰু পুষ্টিবিদসকলে প্ৰায়ে এইবোৰৰ বেয়া দিশৰ বিষয়ে সতৰ্ক কৰি দিয়ে সৰ্বসাধাৰণ মানুহক। সেয়ে এনে পৰিস্থিতিত স্বাভাৱিক আৰু স্বাস্থ্যকৰ বিকল্প হিচাপে নাৰিকলৰ (ডাব) পানী তথা টেঙাজাতীয় (Citrus) ফলৰ ৰস গ্ৰহণেই শৰীৰৰ বাবে অধিক ফলদায়ক। ই কেৱল পিয়াহ নোহোৱা কৰাই নহয়, শৰীৰক প্ৰয়োজনীয় পুষ্টিও যোগান ধৰে লগতে শৰীৰৰ আভ্যন্তৰীণ সন্তুলন, ভাৰসাম্যতা বৰ্তাই ৰখাত সহায় কৰে প্ৰচুৰ পৰিমাণে।

ব্যৱসায়িকভাৱে উৎপাদিত ঠাণ্ডা পানীয়ত সাধাৰণতে কৃত্ৰিম ৰং, ৰাসায়নিক সংৰক্ষক (Preservatives) যেনে Sodium Benzoate, Citric Acid, Sulphur Dioxide, Potassium Sorbate আৰু অতিৰিক্ত চেনি থাকে। সঘনাই এইবোৰ গ্ৰহণ কৰিলে তেজ-মঙহৰ শৰীৰটো তীব্ৰভাৱে ডিহাইড্ৰেট হোৱাৰ উপৰি শৰীৰত পিয়াহৰ মাত্ৰা বাঢ়ি যায়। দিনে কেবাবাৰো এনে পানীয় খালে ডিঙি শুকাই যোৱা, মুখৰ ভিতৰত শুষ্কতা অনুভৱ হোৱা, তেজৰ চাপ, প্ৰস্ৰাৱৰ পৰিমাণ কমি যোৱা, চকু ভাঁজ খোৱা, প্ৰস্ৰাৱৰ পৰিমাণ কমি যোৱা, শৰীৰ ক্লান্ত (অৱশ) আৰু দুৰ্বল হৈ পৰা ইত্যাদি লক্ষণে দেখা দিয়ে। সহজতে উপলব্ধ কৃত্ৰিম পানীয়বোৰত প্ৰয়োজনীয় খনিজ আৰু ইলেকট্ৰ'লাইট নাথাকে, ৰোগ প্ৰতিৰোধ ক্ষমতা (Immunity)ও অতি নগণ্য। মাত্ৰাধিক চেনিমিহলি এই পানীয়বোৰে শৰীৰত ওজন বৃদ্ধি, ডায়বেটিছ, হৃদৰোগ, ফেটী লিভাৰ আৰু কিডনীৰ সমস্যা বৃদ্ধি কৰে। এইবোৰ খোৱাৰ পিছত শৰ্কৰাৰ পৰিমাণ হঠাৎ বৃদ্ধি হয়, অৱশ্যে কিছু সময়ৰ বাবে শৰীৰত এক উদ্যম অনুভৱ হয় কিন্তু সময়ৰ লগে লগে শৰীৰটো অলস আৰু মন্থৰ হৈ পৰে। আনহাতে ফ্ৰিজৰ ভিতৰত থকা অতিমাত্ৰা ঠাণ্ডা পানী খোৱাও বিপদজনক। কাৰণ এনে ঠাণ্ডা পানী খোৱাৰ ফলত পাকস্থলীৰ ৰক্তবাহ (Blood vessel) কেঁচা হৈ পৰে যাৰ ফলত বাধাৰ সৃষ্টি হয় হজম প্ৰক্ৰিয়া (Assimilation Process)ত; ফলস্বৰূপে শৰীৰৰ প্ৰত্যেক কোষলৈ অক্সিজেন আৰু পুষ্টিৰ যোগান ধৰাত সৃষ্টি হয় অপ্ৰত্যাশিত বাধা। শৰীৰ আৰু ঠাণ্ডা পানীৰ মাজত হঠাৎ সৃষ্ট তাপমাত্ৰাৰ পাৰ্থক্যই জ্বৰ, ডিঙিৰ ৰোগ, এচিডিটি-গেছট্ৰাইটিছ (Acidity-Gastritis), স্ফীতি (Bloating), গেছট্ৰিক আলচাৰ (Gastric Ulcer), পেট ফুলি থকা, বমি ভাব (Vomiting), ডিহাইড্ৰেচন (Dehydration) আদি সৃষ্টি কৰে।

যদি বছৰৰ পিছত বছৰ ধৰি অৰ্থাৎ অধিক পৰিমাণে শীতল পানীয় সেৱন কৰি থাকে তেন্তে প্ৰাণঘাটী কৰ্কট ৰোগো হ'ব পাৰে; কিয়নো, শীতল পানীয়ত থকা চাইট্ৰিক আৰু ফচফৰিক এচিডে পাকস্থলীৰ গৰ্ভা আৰু পাচন স্নায়ুক পলকতে উত্তেজিত কৰি তোলে ইয়াৰ ফলতেই যেনিবা এচিডিটি হয়। আকৌ কাৰ্ব'নেটেড (Carbonated) পানীয়ত থকা অত্যধিক কাৰ্বন ডাই-অক্সাইড গেছ পাকস্থলীৰ গৰ্ভাত সংগ্ৰহ হৈ পাকস্থলী ফুলাই তোলে, ইয়াৰ পিছত শৰীৰটো কেনেকুৱা লাগে সেয়া সকলোৰে জ্ঞাত নিশ্চয়। এতিয়া আহো, প্ৰাণঘাটী ৰোগবিধৰ প্ৰসংগলৈ- সহজলভ্য শীতল পানীয়ই পাকস্থলীৰ গৰ্ভাৰ প্ৰাকৃতিক শ্লৈষ্মিক আৱৰণ (Mucosal Lining) নষ্ট কৰি অধিক এচিড উৎপন্ন কৰায় যাৰ ফলত পাকস্থলীত ঘা(Ulcer) হোৱাৰ সম্ভাৱনা থাকে। উল্লিখিত ধৰণে শীতল পানীয় সেৱন কৰাৰ (অভ্যাস) ফলত পাকস্থলীৰ কোষৰ অনিয়মীয়া বিকাশ হৈ যে কৰ্কট ৰোগ হ'ব সেয়া নিশ্চিত। গতিকে আমি সাধাৰণ বা প্ৰাকৃতিক পানীয় সেৱন কৰাই চাগে উত্তম। য'ত নাথাকিব কোনো সন্দেহৰ অৱতাৰণা। উদাহৰণস্বৰূপে ডাবৰ পানীৰ কথাকেই কওঁ- যিটো হ'ল গ্ৰীষ্মকালৰ পৰম স্বাস্থ্যকৰ পানীয়। আজিকালি গাঁৱ-চহৰ-নগৰ সকলোতে সহজতে উপলব্ধ এই ফলবিধৰ পানীয়ত পটাচিয়াম, মেগনেচিয়াম, কেলচিয়াম, চ'ডিয়াম আদি প্ৰয়োজনীয় খনিজ থাকে। গৰমত ঘামেৰে শৰীৰৰ পৰা নিৰ্গত ইলেক্ট্ৰলাইট পূৰণ কৰে আশানুৰূপ আৰু পেশী টানি ধৰা, ক্লান্তি, মূৰ ঘূৰোৱা আদি সমস্যাৰ পৰাও সকাহ পাব পাৰি। ডাবৰ পানীৰ প্ৰাকৃতিক মিঠা অনুভৱ আৰু শীতল স্বাদ পিয়াহ নিৰাময়ৰ বাবে সৰ্বোৎকৃষ্ট তথা অতুলনীয়। ইয়াত কে'লৰি কম পৰিমাণে থকাৰ উপৰি কৃত্ৰিম মিঠা বা কোনো সংৰক্ষণকাৰী নাথাকে, প্ৰশ্নাতীত। সেয়ে সকলো বয়সৰ লোকৰ বাবেই উপযোগী। ডাবৰ পানী খালে কিডনীৰ ৰোগ প্ৰতিৰোধ হয়, হজম শক্তি উন্নত হয় আৰু গৰমজনিত হিট-ষ্ট্ৰ'ক (Hit-Stroke)ৰ পৰা ৰক্ষা পাব পাৰি।

তদুপৰি অসমীয়া সমাজত চকুৰ সমুখত থকা ৰাজ্যিক ফল কাজিনেমু, কমলা টেঙা, মৌচুমী ইত্যাদি ফলৰ ৰসো হৈছে আন এক উৎকৃষ্ট বিকল্প। যিবিলাকত ভিটামিন চি আৰু এণ্টিঅক্সিডেন্ট থাকে, যিয়ে দূৰ কৰে গ্ৰীষ্মৰ ক্লান্তি, বৃদ্ধি কৰে শৰীৰৰ ইমিউনিটি। টেঙাজাতীয় ফলৰ ৰসত স্বাভাৱিক পৰিমাণৰ ঠাণ্ডা প্ৰভাৱ বিৰাজমান, যিয়ে তাপমাত্ৰা নিয়ন্ত্ৰণ কৰে আৰু শৰীৰৰ পিয়াহ নিৰাময় কৰাত যথোচিত সহায় কৰে। পেকেটত বিক্ৰী হোৱা চেনি-মিশ্ৰিত ৰসৰ বিপৰীতে, সতেজ ফলৰ ৰস নিঃসন্দেহে প্ৰাকৃতিক আৰু পুষ্টিকৰ। এইবোৰত ছাল, বীজ আদি থকাৰ বাবে ফাইবাৰৰ যোগান ধৰে প্ৰভূত; যিয়ে হজম শক্তি বৃদ্ধিত সহায় কৰাৰ সমান্তৰালকৈ কোষ্ঠকাঠিন্য দূৰ কৰে। তদুপৰি, গৰমে দহা সময়খিনিত প্ৰাকৃতিক ডিটক্স হিচাপেও কাম কৰে। নিয়মিত উক্ত ফলবোৰৰ ৰসমিহলি পানী খালে চালৰ উজ্বলতা বৃদ্ধি হোৱাৰ লগতে সূৰ্যৰ প্ৰখৰ ৰ'দৰ প্ৰভাৱত হোৱা ৰোগৰ পৰাও সকাহ পোৱা যায়।

যিহেতু শৰীৰৰ বাবে প্ৰয়োজনীয় খাদ্য ঋতুৰ সৈতে সলনি হয়, সেয়ে গ্ৰীষ্মকালত অধিক পানীয়যুক্ত খাদ্যৰ প্ৰয়োজন। কোনো বিকল্পৰ সন্ধান কৰাৰ পৰিৱৰ্তে উক্ত প্ৰকৃতি প্ৰদত্ত সুস্বাদু ফলবোৰৰ পানী তথা টেঙাজাতীয় ফলৰ ৰসমিহলি পানী, তাল মিছিৰি পানী আদি পানীয় খোৱা উচিত। ডিহাইড্ৰেচনৰ বাবে যেনিবা দিনে ৩-৪ লিটাৰ বিশুদ্ধ পানী খোৱা জৰুৰী। পুনশ্চঃ গৰমত শৰীৰৰ তাপমাত্ৰা হঠাৎ পৰিৱৰ্তন হয় যাৰ ফলত অঙ্গ-প্ৰত্যঙ্গত সৰ্বাধিক চাপ পৰে, এনে সময়ত ঠাণ্ডা পানীয় খালে পাচন প্ৰক্ৰিয়াত বাধাৰ সৃষ্টি হয় তদুপৰি শৰীৰ অলস হৈ পৰে। সেয়ে, চিকিৎসকসকলে নিজৰ ঘৰৰ বা কামৰ তাপমাত্ৰাৰ লগত সংগতি থকা পানীয় অথবা প্ৰাকৃতিক পানীয় খাবলৈ পৰামৰ্শ প্ৰদান কৰে। আমাৰ দেশৰ পৌৰাণিক ৰীতি-নীতি আৰু আধুনিক চিকিৎসা শাস্ত্ৰ দুয়োৱে এইবিলাকৰ উপকাৰিতাক স্বীকৃতিও দিছে আজিৰ চিকিৎসক তথা চিকিৎসা বিজ্ঞানীসকলে।

**ম'বাইল ঃ** ৭০০২৭-৯৭৫৪০




Janasanyog RO no 2542/25/17-October-25

# মাজুলী মহাবিদ্যালয়ত বৰ্ণাঢ্য কাৰ্যসূচীৰে কাংকিন কে'বাং সম্পন্ন



**বিকাশ শইকীয়া, মাজুলী ঃ** মাজুলী মহাবিদ্যালয়ৰ মিছিং ছাত্ৰ অধ্যয়ন চক্ৰৰ উদ্যোগত আয়োজিত ২০২৫ বৰ্ষৰ নৱাগত আদৰণি সভা 'কাংকিন কে'বাং' বিস্তৃত কাৰ্যসূচীৰে সম্পন্ন হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি পুৱা মহাবিদ্যালয়ৰ কৰ্মচাৰী তথা ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, মাজুলী মহাবিদ্যালয় গোটৰ পৰিচালক নাৰায়ণ শইকীয়া আৰু অনাময় কৰ্মী দীপক দাসৰ নেতৃত্বত শিক্ষাৰ্থী বাহিনীৰ কেডেটসকলে পৰিৱেশ নিকাকৰণ কাৰ্যসূচী ৰূপায়ণ কৰে। ইয়াৰ পিছতেই গছপুলি ৰোপণ কৰে দক্ষিণ কমলাবাৰী গাঁও পঞ্চায়তৰ সভাপতি সমীৰণ গামে। পুৱা ৮ বজাত পতাকা উত্তোলন কৰে মিছিং ছাত্ৰ অধ্যয়ন চক্ৰৰ সভাপতি বিতুপন দলেয়ে। পতাকা উত্তোলন কৰাৰ পিছতেই জুবিন গাৰ্গলৈ আনুষ্ঠানিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক দীনেশ পেগুৱে। পুৱা ৯ বজাত মহাবিদ্যালয়ৰ মূল প্ৰৱেশ দ্বাৰৰ পৰা আনুষ্ঠানিকভাৱে নৱাগতসকলক মহাবিদ্যালয়-প্ৰাংগনলৈ আদৰি অনা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰা মিছিং ছাত্ৰ অধ্যয়ন চক্ৰৰ প্ৰাচীৰ পত্ৰিকা 'ললাদ' উন্মোচন কৰে অসম সাহিত্য সভাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য মনোজ্যোতি ৰেগনে। ১০.০০ বজাৰপৰা কেশৱৰাম বৰা প্ৰেক্ষাগৃহত বন্তি প্ৰজ্বালন কৰি অনুষ্ঠানটি মুকলি কৰে মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ মুৰব্বী তথা শিক্ষক গোটৰ সম্পাদৰ ড° অনুপ কুমাৰ দলেয়ে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনি শুভাৰম্ভ কৰা হয় ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত এটি সমৱেত সংগীতেৰে। ড° অনুপ কুমাৰ দলেয়ে আঁত ধৰা সভাখন উদ্বোধন কৰি মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জগতজ্যোতি সাতোলাই কয়, ছাত্ৰজীৱনৰ প্ৰতিটো পলৰ মূল্য উপলব্ধি কৰিব পৰাজনহে প্ৰকৃত বিদ্যাৰ্থী। উদ্‌যাপন সমিতিৰ সম্পাদক পল টায়ুঙে উদ্দেশ্য ব্যাখ্যা কৰা সভাত মুখ্য বক্তা হিচাপে উপস্থিত থাকে টি এম পি কেৰ মাজুলী জিলা সমিতিৰ সম্পাদক হেমন্ত মিলিয়ে শিক্ষাগুৰুসকলৰ নিৰ্দেশ মানি চলিলেহে ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বতোপ্ৰকাৰ বৌদ্ধিক বিকাশ সম্ভৱ হ'ব বুলি মন্তব্য আগবঢ়ায়। সভাপতিৰ মন্তব্যত অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, নিজ কৰ্তব্যৰ প্ৰতি শ্ৰদ্ধাৱান শিক্ষাৰ্থীসকলৰ জীৱন সুখেৰে ভৰা হ'বই। সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অৱসৰপ্ৰাপ্ত শিক্ষক নগেন্দ্ৰ নাথ সাতোলা, বিশিষ্ট শিল্পী অনিল পায়ুন, ক্ৰীড়া সংগঠক উদ্ধৱ দলে, সহকাৰী অধ্যাপক ড° ইন্দ্ৰনীল পেগু, মানসজ্যোতি ৰেগন, লিয়াৰ্ড প্ৰতিম ৰেগন, দিলেশ্বৰ পাএগাং, ৰমেশ চিৰাং, প্ৰাক্তন শিক্ষাৰ্থী দিব্যজোতি মিলি, ৰামচন্দ্ৰ সাতোলা। শেষত শলাগৰ শৰাই আগবঢ়ায় মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি দলেয়ে। মুকলি সভাৰ পাছতে বিয়লি ২ বজাৰ পৰা অনুষ্ঠিত হোৱা মহাবিদ্যালয়ৰ বছা বছা মিছিং শিক্ষাৰ্থী-শিল্পীৰ দ্বাৰা পৰিৱেশিত বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান আৰু সাজপাৰ প্ৰদৰ্শনী অনুষ্ঠান উদ্বোধন কৰে বিশিষ্ট শিল্পী, চিকিৎসক ডাঃ মাণিক মিলিয়ে। ছাত্ৰী মমী দলেয়ে আঁত ধৰা সাংস্কৃতিক অনুষ্ঠানত বিশেষ আমন্ত্ৰিত অতিথি শিল্পী ধৰ্মৰাগ পাংগিঙৰ লগতে প্ৰমুখ্যে ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত বৰ্ণিল গীত-নৃত্যই উপস্থিত সকলোকে আপ্লুত কৰে।

# জামুগুৰিহাটত সদৌ অসম কম্পিউটাৰ শিক্ষক সন্থাৰ জিলা সমিতি গঠন



**চন্দন শৰ্মা, তেজপুৰ ঃ** নদুৱাৰ সমষ্টিৰ অন্তৰ্গত জামুগুৰিহাটস্থিত জামুগুৰি আদৰ্শ উচ্চমাধ্যমিক বিদ্যালয়ত যোৱা ইং ১২ অক্টোবৰ, দেওবাৰে সদৌ অসম কম্পিউটাৰ শিক্ষক সন্থাৰ কেন্দ্ৰীয় সভাপতি ৰিংকু মহন্তৰ উপস্থিতিত শোণিতপুৰ জিলাৰ সমিতিখন গঠন কৰা হয়। উক্ত জিলা সমিতিখনত সভাপতি হিচাপে নীলকমল নেৱাৰ, উপ সভাপতি লক্ষ্যধৰ দাস, সম্পাদিকা হিমা দাস, সহকাৰী সম্পাদক ক্ষীৰোদ গগৈক দায়িত্ব অৰ্পণ কৰে।










# বিশ্বনাথ জিলা যুৱ ব্ৰাহ্মণ সমাজৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**চন্দন শৰ্মা, তেজপুৰ ঃ** ঐতিহাসিক শ্ৰীশ্ৰী নাগশংকৰ দেৱালয় প্ৰাংগণত দেওবাৰে বিশ্বনাথ জিলা যুৱ ব্ৰাহ্মণ সমাজৰ এখনি গাম্ভীৰ্যপূৰ্ণ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হৈ যায়। সভাখনত সভাপতিত্ব কৰে বিশ্বনাথ জিলা যুৱ ব্ৰাহ্মণ সমাজৰ সভাপতি প্ৰফুল্ল বৰঠাকুৰে। সদ্য প্ৰয়াত মহান শিল্পী সকলোৰে হিঁয়াৰ আমঠু জুবিন গাৰ্গ দেৱৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰে আৰম্ভণি কৰা সভাখন আঁত ধৰে বিশ্বনাথ জিলা যুৱ ব্ৰাহ্মণ সমাজৰ সম্পাদক গৌৰাঙ্গ ভাগৱতীয়ে। বিঘ্নহৰ্তা ভগৱান গণেশৰ এটি সুন্দৰ শ্লোকৰে সভাৰ পৰিৱেশটো মঙ্গলময় কৰি তোলে বিশ্বনাথ জিলা যুৱ ব্ৰাহ্মণ সমাজৰ কাৰ্যকৰী সভাপতি উপাংক বৰঠাকুৰে। উক্ত সভাখনত বিশিষ্ট অতিথি ৰূপে বিশ্বনাথ জিলা ব্ৰাহ্মণ সমাজৰ সম্পাদক নিৰঞ্জন শৰ্মা উপস্থিত থকাৰ উপৰিও চতিয়া-নাগশংকৰ আঞ্চলিক ব্ৰাহ্মণ সমাজৰ সভাপতি সম্পাদক প্ৰমুখ্যে বিশ্বনাথ জিলা যুৱ ব্ৰাহ্মণ সমাজৰ লগতে বিশ্বনাথ জিলাৰ অন্তৰ্গত চতিয়া-নাগশংকৰৰ পৰা হাৱাজানলৈ সাতোখন আঞ্চলিকৰ যুৱ ব্ৰাহ্মণ সমাজৰ বহুকেইজন বিষয়ববীয়া উপস্থিত থাকে। এই কাৰ্যনিৰ্বাহক সভাখনত উপস্থিত থকা সৰ্বশ্ৰী নিৰঞ্জন শৰ্মা, উপাংক বৰঠাকুৰ, গৌৰাঙ্গ ভাগৱতী, ৰঞ্জন ভাগৱতী, গৌতম ভাগৱতী, ৰাজীৱ বৰুৱা, অপূৰ্ব শৰ্মা, দেৱজিত শৰ্মা আদিয়ে সাৰুৱা জ্ঞানগৰ্ভ ভাষণ আগবঢ়ায়। বিশেষকৈ বিশ্বনাথ জিলাৰ যুৱ ব্ৰাহ্মণ সমাজৰ সাংগঠনিক সবল কৰাৰ দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰা সভাখনত, ব্ৰাহ্মণ উন্নয়ন পৰিষদ গঠনৰ পৃষ্ঠপোষকতাত কৰা হয় লগতে বিভিন্ন গঠনমূলক কৰ্মৰ জৰিয়তে কেনেকৈ আজিৰ প্ৰজন্ম যুৱ ব্ৰাহ্মণ সকলক একতাৰ দোলেৰে বান্ধি ঐক্যবদ্ধ কৰিব পাৰি আৰু ব্ৰাহ্মণ ঐক্যক সবল কৰিব পাৰি তাক গুৰুত্ব আৰোপ কৰা হয়। সভাখনত অলপতে জুবিন গাৰ্গ দেৱৰ সমাধিত এজন ব্ৰাহ্মণ যুৱকে লগুণ ছিঙি দিয়াৰ দৰে অবিবেচক কাণ্ডৰ গৰিহণা দিয়াৰ লগতে এই কাৰ্যৰ তীব্ৰ বিৰোধিতা আৰু নিন্দা কৰে। এনেধৰণৰ নেতিবাচক কৰ্মৰ জৰিয়তে বিদ্বত সমাজলৈ ধনাত্মক বাৰ্তা বহন নকৰে বুলি সকলোৱে একমত হয়। শেষত সভাখনৰ সভাপতি তথা বিশ্বনাথ জিলা যুৱ ব্ৰাহ্মণ সমাজৰ সভাপতি প্ৰফুল্ল বৰঠাকুৰে সকলোকে সম্বোধন কৰি ব্ৰাহ্মণ সমাজখনক বিশ্বনাথ জিলাত সবলভাৱে ঐক্যবদ্ধ কৰি ৰখাৰ মতপোষণ কৰি উপস্থিত সকলোকে ধন্যবাদ জ্ঞাপন কৰি সভাভংগ ঘোষণা কৰে লগতে সভাপতি গৰাকীয়ে চতিয়া-নাগশংকৰৰ আঞ্চলিক যুৱ ব্ৰাহ্মণ সমাজৰ সদস্যসকলে মিলি কৰা উক্ত সভাখনৰ আয়োজক আৰু অপ্যায়নৰ ব্যৱস্থাৰ শলাগ লয়।

*স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।*
*Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &*
*Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor :* Pranati Bora
*Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,*

*সহকাৰী কাৰ্যবাহী সম্পাদক ঃ* পংকজ শইকীয়া
*সম্পাদক ঃ* প্ৰণতি বৰা